Content includes AI-generated material

## ‘গল্প ৰত্ন’ ভদ্ৰেশ্বৰ ৰাজখোৱা আৰু নাই



বিতং বাতৰি ২ নং পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, FEBRUARY 13, 2025 ■ বৃহস্পতিবাৰ, ৩০ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪৮ Guwahati, Assam ।। মূল্যঃ এটকা

## ৰাম মন্দিৰৰ প্ৰধান পুৰোহিতৰ দেহাৱসান



প্ৰধান পূজাৰী আচাৰ্য সত্যেন্দ্ৰ দাস

**লক্ষ্ণৌ, ১২ ফেব্ৰুৱাৰীঃ** শেষ নিশ্বাস ত্যাগ কৰিলে ৰাম মন্দিৰৰ প্ৰধান পূজাৰী আচাৰ্য শেষাংশ ৪ পৃষ্ঠাত

## দুৰ্নীতিগ্ৰস্ত ১০০খন দেশৰ তালিকাৰ ৯৬ নং স্থানত ভাৰত

নতুন দিল্লী, ১২ ফেব্ৰুৱাৰীঃ বিশ্বৰ শীৰ্ষ এশ খন দুৰ্নীতিগ্ৰস্ত দেশৰ তালিকাত অন্তৰ্ভুক্ত হ'ল ভাৰতৰো নাম। আন্তঃৰাষ্ট্ৰীয় সংস্থাই এটাই চলোৱা সমীক্ষাত প্ৰকাশ পাইছে শেষাংশ ৩ পৃষ্ঠাত

## হস্তী আৰু মানৱ সংঘাত

■ ডঃ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

আকৌ হেনো হাতীয়ে প্ৰাণ কাঢ়িলে মানুহৰ! মোবাইলৰ স্ক্ৰীণত জিলিকি থকা মুহূৰ্তৰ আগৰ খবৰটোৱে আকৌ শেষাংশ ৬ পৃষ্ঠাত

### সাংসদ গগৈৰ বিদেশী পত্নীক লৈ টুইট

## বিদেশতো গৌৰৱে নিদ্ৰা হৰিছে মুখ্যমন্ত্ৰীৰ!

**মোৰ পত্নী যদি আইএছআই, মই ৰ'ৰ এজেণ্ট! দিলীপ শইকীয়া হ'ব মুখ্যমন্ত্ৰী! প্ৰত্যুত্তৰ গৌৰৱৰ**

**ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ** এডভাণ্টেজ আছামৰ বাবে বিনিয়োগকাৰীৰ সন্ধানত গৈ ছিংগাপুৰৰ পৰা মুখ্যমন্ত্ৰীয়ে সাংসদ গৌৰৱ গগৈৰ পিছত লগা কথাটোৱে ৫ পৃষ্ঠাত

### ‘ইণ্ডিয়া হেট লেব’ৰ সমীক্ষাত ভয়ংকৰ তথ্য

# ঘৃণা বিয়পোৱা ভাষণ ৭৪ শতাংশ বৃদ্ধি

## বিজেপি শাসিত ৰাজ্যত সৰ্বাধিক ঘৃণা!




**নতুন দিল্লী, ১২ ফেব্ৰুৱাৰীঃ** সংখ্যালঘু, বিশেষকৈ মুছলমানৰ বিৰুদ্ধে বিদ্বেষমূলক ভাষণৰ ঘটনা ভংয়কৰ হাৰত বৃদ্ধি পাইছে ভাৰতত। শেহতীয়াকৈ প্ৰকাশ পোৱা শেষাংশ ৪ পৃষ্ঠাত



## যোগীঘোপাত কয়লাৰ নথি বিচাৰি জিএছটিৰ দলৰ অভিযান!

### জিএছটি ফাঁকি দিয়া ৮৩খন ট্ৰাক জব্দ

**ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ** হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলা ৰাজ্য চৰকাৰে কলেজ শিক্ষকক‌ে ধৰি বহু কৰ্মচাৰীক এতিয়ালৈকে দৰমহা দিব পৰা নাই। বিভিন্ন উন্নয়নমূলক শেষাংশ ৭ পৃষ্ঠাত

### নতুন সভাপতিৰ নতুন নিয়ম

## দিলীপৰ শক্তি, ছাটাই আকাশ ফুকন



**ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ** ৰাজ্যিক বিজেপিৰ সভাপতিৰ দায়িত্ব লৈয়ে একচন মুদত দেখা গৈছে দিলীপ শইকীয়াক। পুৰণি নেতাৰ ২ পৃষ্ঠাত চাওক



## মমতাক ত্যাগ অভিজিৎ মুখাৰ্জীৰ

**কলকাতা, ১২ ফেব্ৰুৱাৰীঃ** অৱশেষত গৃহযাত্ৰা সম্পন্ন হ'ল প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ পুত্ৰ অভিজিৎ শেষাংশ ৭ পৃষ্ঠাত

## এপিএছচিৰ কেলেংকাৰীৰ নামত চলিল ৩ বছৰীয়া নাটক



### এফএআইএৰ দাবী

**ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ** কংগ্ৰেছৰ দিনৰ চাকৰি কেলেংকাৰীৰ অভিযুক্তক সুৰক্ষা দিছে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। এই গুৰুতৰ শেষাংশ ৩ পৃষ্ঠাত

## জেলৰ পৰা আহি পত্নী-কন্যাৰ প্ৰাণ লৈ নিজৰো আত্মহত্যা

### মহানগৰীত নৃশংস ঘটনা

**ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ** গুৱাহাটী মহানগৰীৰত পুনৰ সংঘটিত হৈছে ভয়ংকৰ ঘটনা। বামুণীমৈদামস্থিত অমৰ সংঘ পথৰ ৰেʼলৱে কলনিৰ 'কে' ব্লকৰ শেষাংশ ৫ পৃষ্ঠাত

### দুলীয়াজানত ‘চোতালে চোতালে কংগ্ৰেছ’

## কংগ্ৰেছেই বিজেপিৰ একমাত্ৰ বিকল্পঃ ভূপেন বৰা



**ই-সংবাদ দুলীয়াজান, ১২ ফেব্ৰুৱাৰীঃ** অসমৰ ৰাইজ শুই থকা সিংহ। সিংহক জগাবলৈ আমি আজি শেষাংশ ৫ পৃষ্ঠাত

## দোষী সাব্যস্ত প্ৰাক্তন কংগ্ৰেছ নেতা সজ্জন

**নতুন দিল্লী, ১২ ফেব্ৰুৱাৰীঃ** শিখ হিংসাৰ ৪০ বছৰৰ পাছত দোষী সাব্যস্ত হ'ল প্ৰাক্তন কংগ্ৰেছ নেতা সজ্জন কুমাৰ। ১৯৮৪ চনৰ হিংসাৰ সময়ত ৬ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দিলীপৰ শক্তি, ছাটাই আকাশ ফুকন

মৰ্যাদা নোপোৱা কথাটোক বিশেষ গুৰুত্ব দি বশিষ্ঠৰ মুখ্য কাৰ্যালয়ত পুৰণি নেতাই এতিয়াৰ পৰা সম্পূৰ্ণ মৰ্যাদা লাভ কৰাটো নিশ্চিত কৰাৰ লগতে জিলা সমিতি, ব্লক সমিতি, বুথ পৰ্যায়ত দশকৰ পৰা দশক ধৰি কাম কৰি অহা বিজেপিৰ পুৰণি নেতাসকলে যাতে মৰ্যাদা লাভ কৰে সেয়াও নিশ্চিত কৰা হৈছে। লগতে নতুনকৈ বিজেপিলৈ অহা নেতাসকলে দলত নিজ মইমতালিত দল বিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ হোৱা দেখা গৈছে দিলীপ শইকীয়াক। নতুনকৈ বিজেপিলৈ অহা এজন নেতাৰ বিৰুদ্ধে বাৰে বাৰে দলীয় নেতা-কৰ্মীক অভব্য আচৰ কৰাৰ লগতে জনজাতীয় নেতা তথা মন্ত্ৰীক কুকুৰে কাঁইট নোখোৱাকৈ গালি পৰাৰ অভিযোগ উত্থাপন হৈ আহিছিল। পূৰ্বে ভৱেশ কলিতাই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল যদিও দিলীপ শইকীয়াই নেতাগৰাকীক সকলো পদৰ পৰা অব্যাহত দিছে। আকাশ ফুকন নামৰ কেইবাগৰাকী মন্ত্ৰীৰ ঘনিষ্ঠ নেতাজনক দিলীপ শইকীয়াই সকলো দায়িত্বৰ পৰা অব্যাহতি দি পাখি কাটে। পূৰ্বে আকাশ ফুকনে মিচিং জনগোষ্ঠীৰ নেতা তথা শিক্ষামন্ত্ৰী ৰণোজ পেগুক কুকুৰে কাইট নোখোৱাকৈ গালি পাৰিছিল। ২০২৪ চনৰ ডিচেম্বৰ মাহত এই ঘটনা সংঘটিত হৈছিল। এগৰাকী মন্ত্ৰী তথা জনজাতীয় সন্তানক এনেদৰে আকাশ ফুকনে গালি পৰাত ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল যদিও ভৱেশ কলিতাই ব্যৱস্থা গ্ৰহণ কৰা নাছিল। কিন্তু পুনৰবাৰ আকাশে এগৰাকী বিজেপিৰ কৰ্মীক প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপন হোৱাত দিলীপ শইকীয়াই দলত পাখি কাটে আকাশৰ। যোৱা ৯ ফেব্ৰুৱাৰীত আকাশ ফুকনৰ বিৰুদ্ধে বোকাখাতত এগৰাকী বিজেপি কৰ্মীক প্ৰহাৰৰ অভিযোগ উত্থাপন হৈছিল। এই অভিযোগক গুৰুত্ব সহকাৰে লয় দিলীপ শইকীয়াই। জানিব পৰা মতে আকাশে বোকাখাতৰ যিগৰাকী নেতাক প্ৰহাৰ কৰিছিল সেইগৰাকী নেতা দিলীপ শইকীয়াৰ ঘনিষ্ঠ আছিল। এই অভিযোগ লাভ কৰি ক্ষোভত ফাটি পৰে সভাপতি শইকীয়া। প্ৰাথমিক তদন্তৰ অন্তত দলীয় অনুশাসন ভংগৰ অপৰাধত বিজেপি নেতা আকাশ ফুকনক সকলো দায়িত্বৰ পৰা অব্যাহতি দিয়া হয়। যিজন আকাশে মন্ত্ৰী ৰণোজ পেগুক গালি পাৰি উপহাৰ লাভ কৰিছিল সেইজন আকাশে কৰ্মীক প্ৰহাৰ কৰি সকলো হেৰুৱালে। ৰণোজ পেগুক গালি পাৰি সকলে পদ বাহাল থকাৰ লগতে পদোন্নতি দিয়া হৈছিল। অসম ক্ৰীড়া বৰ্ডৰ উপাধ্যক্ষ হৈ থকাৰ সময়তে তেজপুৰত দলীয় নিৰ্বাচনৰ ৰিটাৰ্ণিং বিষয়াৰ গুৰু দায়িত্ব দিয়া হৈছিল আকাশ ফুকনক। এক কথাত ক'বলৈ গ'লে মিচিং জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰা মন্ত্ৰী ৰণোজ পেগুক গালি পাৰি প্ৰমোচন পাইছিল আকাশ ফুকনে। নিজ দলৰ জ্যেষ্ঠ নেতা তথা চৰকাৰৰ মন্ত্ৰীক মক্কেল, দালাল, ননচেন্স বুলি গালি দিয়াৰ অডিঅ' টেপ ভাইৰেল হোৱাত বিতৰ্কত সোমাই পৰিছিল আকাশ ফুকন। অডিঅ' ভাইৰেল হোৱাৰ পিছতে ৰিটাৰ্ণিং বিষয়াৰ দায়িত্ব প্ৰদান কৰিছিল ভবেশ কলিতাই। বিজেপিৰ পালিনেতা আকাশ ফুকনে ঐতিহ্যমণ্ডিত ভূমিপুত্ৰ জনজাতি মিচিং জনগোষ্ঠীৰ জ্যেষ্ঠ নেতাক অশ্লীল ভাষাৰে গালি-গালাজ কৰাৰ ৰাজ্যিক বিজেপিয়ে মুখ্য কাৰ্যালয়লৈ তলব কৰিছিল। কিন্তু সেই দলীয় তলব গালো-বালো খোলকটিৰ তাল হৈ পৰিছিল। পিছত ৰাজ্যিক বিজেপিয়ে তেজপুৰত দলীয় কাম-কাজত নিয়োগ কৰিছিল আকাশ ফুকনক। আকাশ ফুকনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ পৰিবৰ্তে গুৱাহাটীৰ বাজপেয়ী ভৱনে পুৰস্কৃত কৰিছিল। এজন ঠিকাদাৰৰ সৈতে বাৰ্তালাপ কৰি ৰণোজ পেগুক 'তাক' বুলি সম্বোধন কৰি আকাশ ফুকনে ঠিকাদাৰক কৈছিল যে তাৰ কথা মোৰ আগত নকবি। তই কি বুলি ভাবিছ। ৰণোজ পেগুৱে কি কৈছে বুলি বাৰে বাৰে ক'বলৈ কৈ আকাশ ফুকনে কৈছিল যে মোৰ নেতা ৰণোজ পেগু নহয়। মোৰ নেতা হিমন্ত বিশ্ব শৰ্মাহে। তই মোক চিনি পোৱা নাই। মই চিএমৰ ঘৰৰ নিচিনা বুলিও কৈছিল ফুকনে। সভ্য মানুহে ফোন টেপটো সম্পূৰ্ণকৈ শুনিব নোৱাৰে। কিয়নো প্ৰতিটো শব্দৰ পিছে পিছে আছে অশ্লীল কথা। এগৰাকী ঠিকাদাৰৰ সৈতে বাৰ্তালাপ কৰি মন্ত্ৰীক কুকুৰে কাঁইট নোখোৱাকৈ গালি পাৰি হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ বুলি দাবী কৰিছিল আকাশে। দলৰ জ্যেষ্ঠ নেতা তথা জনজাতীয় নেতা এগৰাকীক ইমান অভব্য-অশ্ৰাব্য গালি পৰা আকাশক লৈ দুবাৰ প্ৰতিক্ৰিয়া দিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কথাখিনি শুনি বেয়া লাগিছে বুলি কৈ আকাশ ফুকন বেয়া ল'ৰা নহয় বুলি কৈছিল। আকাশ ফুকন সমাজসেৱী ল'ৰা, ভাল ল'ৰা। যদি মানুহৰ মুখখন ভাল নাথাকে মানুহে বেয়া পায়। বিজেপি দলে বিচাৰে মানুহ সংস্কৃতিবান হওক। ডাঙৰক সন্মান কৰক, সৰুক মৰম কৰক। ৰণোজ পেগু আমাৰ এজন জ্যেষ্ঠ মন্ত্ৰী, তেওঁৰ বিষয়ে যিখিনি কৈছে কথাখিনি শুনি বেয়া লাগিছে। আকাশ ফুকনে ৰাজহুৱাকৈ ক্ষমা খুজিব লাগে। ৰণোজ পেগুৰ ঘৰলৈ গৈ ক্ষমা খুজিব লাগে বুলি কৈছিল মুখ্যমন্ত্ৰীয়ে।

# গ্ৰাম্য কথকতাৰ ৰূপকাৰ 'গল্প ৰত্ন' ভদ্ৰেশ্বৰ ৰাজখোৱা আৰু নাই

**ই-সংবাদ, ১২ ফেব্ৰুৱাৰীঃ** অসমৰ সাহিত্য জগতক সমৃদ্ধ কৰা বিশিষ্ট সাহিত্যিক ভদ্ৰেশ্বৰ ৰাজখোৱাৰ দেহাৱসান। ৰামধেনু যুগৰ বিশিষ্ট সাহিত্যিকগৰাকীয়ে নগাঁৱৰ নিদান হাস্পতালত ৮৪ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। আজি সন্ধিয়া চিকিৎসাধীন অৱস্থাতে শেষ নিশ্বাস কৰে সাহিত্যিক ভদ্ৰেশ্বৰ ৰাজখোৱাই। জানিব পৰা মতে, অসুস্থ ভদ্ৰেশ্বৰ ৰাজখোৱাক পৰিয়ালে নিদান হাস্পতালত ভৰ্তি কৰিছিল। নগাঁও চহৰৰ সমীপৱৰ্তী খুটিকটীয়াত প্ৰয়াত পূৰ্ণ কান্ত ৰাজখোৱা আৰু প্ৰয়াত ঘুনুচা ৰাজখোৱাৰ ঔৰসত জন্ম লাভ কৰিছিল ভদ্ৰেশ্বৰ ৰাজখোৱাই। কথাশিল্পী ৰাজখোৱা পঢ়াকালৰে পৰা বহুমুখী প্ৰতিভাৰ অধিকাৰী আছিল। পঢ়াকালৰে পৰা সাহিত্যৰ সাধনা কৰি গৈছিল। ৰামধেনু যুগৰ গল্পকাৰগৰাকী আছিল অসমীয়া গ্ৰাম্য কথকতাৰ ৰূপকাৰ। কলং-কপিলীৰ দৰে



গল্পত ঘাইকৈ অসমীয়া গ্ৰাম্য সমাজৰ জাকৈ, জুলুকি, প'ল, দলঙাই আদি উচ্চ স্থান দিছিল। ফকৰা-যোজনা, প্ৰবাদ প্ৰবচন তেওঁৰ গল্পৰ মধ্যমণি আছিল। শালীনতাবোধ আৰু নাৰীৰ প্ৰতি মৰ্যাদাসূচক দৃষ্টি ভংগী তেওঁৰ গল্পৰ আন এক বিশেষত্ব আছিল। অসম সাহিত্য সভাৰ জাতীয় ন্যাস সমিতিৰ প্ৰাক্তন আহ্বায়কৰ দৰে গুৰু দায়িত্ব গ্ৰহণ কৰিছিল ৰাজখোৱাই। সাহিত্যৰ ভড়াল চহকী কৰাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দায়ত্ব গ্ৰহণ কৰিছিল। অৰুণোদয় সাহিত্য চ'ৰাৰ প্ৰতিষ্ঠাপক সভাপতি, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ নগাঁও জিলাৰ প্ৰতিষ্ঠাপক সভাপতি, নগাঁও ৰ'টাৰী ক্লাবৰ প্ৰাক্তন সভাপতি আছিল। অসম সাহিত্য সভাৰ অম্বিকাগিৰী ৰায়চৌধুৰী সোঁৱৰণী বঁটা, দশম জ্যোতিৰূপা মিডিয়া বঁটা, অসম চৰকাৰৰৰ সাহিত্যিক পেঞ্চন লাভ কৰিছিল। লগতে কলংপৰীয়া আলোচনা চক্ৰ আৰু সুৰৰ পানচৈ শিল্পী সমাজে গল্প ৰত্ন অভিধা, অসম প্ৰবাহ সাহিত্য বঁটা আদি সন্মান প্ৰদান কৰা হৈছিল। নগাঁও জিলা সাহিত্য সভাকে ধৰি তেওঁৰ মৃত্যুক বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই মৃত্যু অপূৰণীয় ক্ষতি বুলি কয়।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এপিএছচিৰ কেলেংকাৰীৰ নামত চলিল

অভিযোগ উত্থাপন কৰিছে ফাইট এগেইনষ্ট ইনজাষ্টিচ অৱ এপিএছচিৰ। কেৱল ইমানে নহয় ফাইট এগেইনষ্ট ইনজাষ্টিচ অৱ এপিএছচি-এ এপিএছচিৰ তদন্তৰ নামত হিমন্ত বিশ্ব শৰ্মা চৰকাৰে এখন কৌশলপূৰ্ণভাৱে আৰু নাটক মঞ্চস্থ কৰিছিল বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। আজি ফাইট এগেইনষ্ট জাষ্টিচ অৱ এপিএছচিয়ে দিছপুৰ প্ৰেছ ক্লাৱত এখন সংবাদমেল অনুষ্ঠিত কৰি পোন প্ৰথমে হিমন্ত বিশ্ব শৰ্মা চৰকাৰক ধন্যবাদ জ্ঞাপন কৰি কটুক্তি কৰে। অসম লোকসেৱা আয়োগত বক্ৰ পথেৰে চাকৰি লোৱাৰ অভিযুক্ত ২৫ এচিএছ-এপিএছক চৰকাৰে নিলম্বন কৰি বিভাগীয় তদন্ত কৰিছিল যদিও বিষয়াসকলে উচ্চ ন্যায়ালয়ৰ কাষ চপাত ন্যায়ালয়ে চৰকাৰৰ পৰা উত্তৰ বিচাৰিছিল যদিও চৰকাৰে উত্তৰ দিব নোৱাৰাত বিভাগীয় তদন্ত আৰু নিলম্বন বাতিল কৰাত ফাইট এগেইনষ্ট ইনজাষ্টিচ অৱ এপিএছচি সৰৱ হৈছে। সংগঠনটোৱে কয় যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দিনত অসম লোকসেৱা আয়োগৰ চাকৰি কেলেংকাৰীৰ দুই-তিনি বছৰীয়া তদন্ত ঘূৰি-পকি গৈ একেই ঠাইত উপনীত হৈছে। বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত নিলম্বিত কৰা এপিএছ আৰু এচিএছসকলে চাকৰি উভতাই পালে। মুঠ ২৫ জন বিষয়াক নিলম্বন কৰা হৈছিল। কিন্তু ১৯ জন বিষয়াৰ নিলম্বন বাতিল কৰিছে। নিলম্বন হোৱাৰ পিছত বিষয়াসকলে উচ্চ ন্যায়ালয়লৈ গৈ বিভাগীয় তদন্ত আৰু নিলম্বন বাতিল কৰিবলৈ সক্ষম হৈছে। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে এখন কৌশলপূৰ্ণভাৱে আৰু নাটক মঞ্চস্থ কৰি এপিএছচিৰ তদন্ত কৰি গৈছিল। তদন্তৰ নামত আভুৱা ভৰা হৈছে। সেই কথা জলজল পটপট হৈছে। এপিএছচিৰ তদন্তৰ নামত ভাওনা, নাটক মঞ্চস্থ কৰি আহিছিল সেয়া ফাদিল হোৱাৰ বাবে হিমন্ত বিশ্ব শৰ্মা চৰকাৰক ধন্যবাদ জ্ঞাপন কৰি দুৰ্নীতি বিৰোধী সংগঠনটোৱে কয় যে চৰকাৰৰ সোপাচিলা নীতি, পক্ষপাতমূলক নীতি আৰু আভুৱাভৰা নীতিৰ বাবে বক্ৰ পথেৰে বাছনিভুক্ত, ঠগ-প্ৰৱঞ্চনাৰে চাকৰি পোৱাসকলে পুনৰ চাকৰি লাভ কৰিব। যাৰ বাবে এইখন চৰকাৰৰ অভিনন্দন লাভৰ যোগ্য। এইখন চৰকাৰে যিধৰণে আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল তেনেদৰে নকৰিলে। কংগ্ৰেছৰ আমোলৰ অভিযুক্তৰ প্ৰতি এইখন চৰকাৰে দৰদ প্ৰদান কৰি আহিছে। বক্ৰ পথেৰে চাকৰি লোৱা বিষয়াক সুৰক্ষা দিবলৈ গৈ নিজৰ লাজ-মান কাটি কৰিছে। যাৰ বাবে ধন্যবাদ। আয়োগ দিয়া প্ৰতিবেদনত বিধানসভাত ৬ মাহৰ ভিতৰতে দাখিল কৰিব লাগিছিল বুলি কৈ কয় যে যেতিয়া আইন মতে, তদন্ত আয়োগ গঠন কৰা হয় সেই তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই বিষয়ে বিধানসভাত উত্থাপন কৰিব লাগে। কিন্তু বিগত ২ বছৰ ৯ মাহে বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন ৰাজহুৱা নকৰিলে। কিন্তু চৰকাৰে মুখ্য সচিবৰ নেতৃত্বত এখন সমিতি গঠন কৰি দিলে। যি সমিতিত ডিজিপি, অতিৰিক্ত মহাধিবক্তা নলিন কোহলী আছিল। তদন্ত চলি থকাৰ সময়তে বক্ৰপথেৰে লাভ কৰা বিষয়াসকলক এইখন চৰকাৰে পদোন্নতি দিছিল। এইখন তদন্ত সমিতি উচ্চতম ন্যায়ালৰ নিৰ্দেশত গঠিত তদন্ত সমিতি আছিল। তদন্তত এজন এজনকৈ বিষয়াক তদন্তৰ বাবে মাতি বিলম্ব কৰা হ'ল। এই সমিতিৰ প্ৰতিবেদন ৬ মাহৰ ভিতৰত বিধানসভাত উত্থাপন কৰিব লাগিছিল। কিন্তু ২ বছৰ ৯ মাহে ন্যায় ব্যৱস্থাক অংগুষ্ঠ প্ৰদৰ্শন কৰিলে। আজি তিনিবছৰে ভাওনা এখন ৰচনা কৰি একাংশ বিষয়াক সুৰক্ষা দিলে। গোটেই তদন্ত ভেঁকোভাওনা আছিল। গোটেই কাৰবাৰটোৰ অন্তৰালত আছে তদন্ত প্ৰক্ৰিয়া বিলম্ব কৰি বিষয়াসকলক সুৰক্ষিত কৰা। ইয়াৰ পূৰ্বৰ যিখন তদন্ত সমিতি আছিল তাৰ দায়িত্ব আছিল অতিৰিক্ত মুখ্য সচিব সুভাষ দাস। সুভাষ দাস নেতৃত্বাধীন তদন্ত সমিতিত সন্তুষ্ট নহৈ উচ্চতম ন্যায়ালৰ নিৰ্দেশত নতুন সমিতি গঠন কৰা হৈছিল। ন্যায়িক আয়োগৰ দ্বাৰা দিয়া প্ৰতিবেদন মুখ্য সচিবৰ দ্বাৰা গঠিত তদন্ত সমিতিৰ দ্বাৰা তদন্ত কৰাই তিনিটা বছৰ অতিবাহিত কৰিলে। তদন্তকাৰী আৰক্ষী বিষয়া সুৰজিৎ সিং পানেছাৰৰ প্ৰসংগ উল্লেখ কৰি সংগঠনটোৱে কয় যে ২০১৮-১৯ চনত তদন্তকাৰী বিষয়া সুৰজিৎ সিং পানেছাৰে আদালতত অন ৰেকৰ্ড কৈছিল যে এফএছএলৰ কিছু তথ্য আমাৰ হাতত আছে। কিন্তু যেতিয়া এইখন চৰকাৰ আহিল তেতিয়াৰ পৰা সুৰজিৎ সিং পানেছাৰে তদন্তৰ কাম কৰিব নোৱাৰা হ'ল। তদন্ত সমিতিৰ নিৰীক্ষণ কৰিবলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ মুৰব্বীৰ নেতৃত্বত এখন পৰ্যবেক্ষণ সমিতি গঠন কৰা হৈছিল। যেতিয়া নিলম্বিত বা গ্ৰেপ্তাৰ হোৱা বিষয়াই আদালতত গৈ চৰকাৰক প্ৰত্যাহ্বান জনাই তেতিয়া চৰকাৰে আকৌ এছআইটি গঠন কৰে। চৰকাৰৰ হাতত উত্তৰ নাথাকে আৰু তেতিয়া আদালতক চৰকাৰে আভুৱা ভাৱে। কেৱল ন্যায়ালয়কে নহয় অসমৰ সমাজ ব্যৱস্থাকো এপিএছচিৰ চাকৰি কেলেংকাৰীৰ নামত আভুৱা ভৰা হৈছে। এইখন চৰকাৰে কংগ্ৰেছৰ দিনৰ অভিযুক্তক বচাবৰ বাবে কূট-কৌশল ৰচনা কৰি আহিছে। এতিয়া প্ৰশ্ন হৈছে এইখন চৰকাৰৰ দিনত অনুষ্ঠিত হৈ থকা নিযুক্তি পৰীক্ষা স্বচ্ছ হৈছে নে? ইতিমধ্যে এডিআৰইৰ চাকৰি দিয়াৰ নামত দুজন দিব্যাংগ মঞ্চৰ লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে এয়া এক ব্যৱস্থাপূৰ্ণ অনিয়ম। ২০ গৰাকী নিলম্বিত ৰাজপত্ৰিত বিষয়াই চাকৰি ঘূৰাই পোৱাৰ পিছতে এতিয়া ফাইট এগেইনষ্ট ইনজাষ্টিচ অৱ এপিএছচি নামৰ সংগঠনটো সৰৱ হৈ পৰিছে। ৩ বছৰ ধৰি হিমন্ত বিশ্ব শৰ্মা চৰকাৰে এখন নাটক ৰচনা কৰাৰ অভিযোগ উত্থাপন কৰা বিষয়টোৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিগ্ৰস্ত ১০০খন দেশৰ তালিকাৰ

এই তথ্য। ট্ৰেন্সপাৰেন্সি ইণ্টাৰনেশ্যনেলে প্ৰকাশ কৰা ২০২৪ বৰ্ষৰ কৰাপশ্যন পাৰছেপশ্যন ইনডেক্স (চিপিআই) অনুসৰি বিশ্বৰ ১৮০খন দেশৰ ভিতৰত ৯৬ সংখ্যক স্থানত আছে ভাৰত। বিগত বছৰৰ তুলনাত দুৰ্নীতিগ্ৰস্ত দেশ হিচাপে ভাৰতৰ স্থান ৩ পইণ্ট হ্ৰাস পাইছে ২০২৪ বৰ্ষত। আনহাতে, ভাৰতৰ সৈতে একে স্থানতে আছে গাম্বিয়া আৰু মালদ্বীপো। উল্লেখ্য যে, ৰাজহুৱা সেৱা খণ্ডত দুৰ্নীতিৰ মাত্ৰা নিৰ্ণয় কৰিবলৈ চিপিআইৰ স্ক'ৰ ০ৰ পৰা ১০০ৰ ভিতৰত প্ৰদান কৰা হয়, য'ত ০য়ে আটাইতকৈ দুৰ্নীতিগ্ৰস্ত আৰু ১০০য়ে আটাইতকৈ স্বচ্ছ প্ৰশাসনক প্ৰতিনিধিত্ব কৰে। লক্ষ্যণীয়ভাৱে ২০২৩ চনত ভাৰতে ৩৯ পইণ্ট আৰু ২০২২ চনত ৪০ পইণ্ট লাভ কৰিছিল। কিন্তু এইবাৰ ভাৰতে লাভ কৰিছে ৩৮ পইণ্ট। অৰ্থাৎ যোৱা তিনি বছৰত ভাৰতৰ দুৰ্নীতি সূচকাংকৰ অৱনতি ঘটিছে। চুবুৰীয়া দেশৰ ভিতৰত পাকিস্তানৰ স্থান ১৩৫, শ্ৰীলংকা ১২১, বাংলাদেশ ১৪৯, আৰু চীনৰ স্থান হৈছে ৭৬। আনহাতে ডেনমাৰ্কে ৯০ পইণ্ট লাভ কৰি বিশ্বৰ সৰ্বনিম্ন দুৰ্নীতিগ্ৰস্ত দেশ হিচাপে শীৰ্ষস্থান দখল কৰিছে। ইয়াৰ পিছতে ফিনলেণ্ড (৮৮), ছিংগাপুৰ (৮৪) আৰু নিউজিলেণ্ড (৮৩) আছে। লাক্সেমবাৰ্গ, নৰৱে' আৰু ছুইজাৰলেণ্ডে ৮১ পইণ্ট লাভ কৰি পঞ্চম স্থানৰ বাবে সমতা স্থাপন কৰিছে। আনহাতে, ছুইডেন (৮০) আৰু নেদাৰলেণ্ড (৭৮) ক্ৰমে অষ্টম আৰু নৱম স্থানত আছে। অষ্ট্ৰেলিয়া, আইচলেণ্ড আৰু আয়াৰলেণ্ডে ৭৭ পইণ্ট সংগ্ৰহ কৰি দশম স্থানত আছে। দুৰ্নীতিগ্ৰস্ত দেশ হিচাপে তালিকাৰ একেবাৰে তলত আছে চাউথ চুডান (৮ পইণ্ট), ছোমালিয়া (৯ পইণ্ট), ভেনিজুৱেলা (১০ পইণ্ট) আৰু ছিৰিয়া (১২ পইণ্ট)।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# সৰুপেটাৰ চামতাপাৰাত মহাবীৰ চিলাৰায় জয়ন্তী

**ই-সংবাদ, ভৱানীপুৰ, ১২ ফেব্ৰুৱাৰীঃ** মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক জন্মজয়ন্তী আজিৰেপৰা সৰুপেটাৰ সমীপৰ চামতাপাৰাৰ চিলাৰায় ক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। চামতাপাৰাৰ গঞা সমাজ আৰু বিশ্ব মহাবীৰ চিলাৰায়ৰ জন্ম জয়ন্তী উদযাপন সমিতিৰ যুটীয়া উদ্যোগত আৰু বীৰ চিলাৰায় যুৱক সংঘ, সৰুপেটা আঞ্চলিক কোচ-ৰাজবংশী সন্মিলনী আৰু বজালী জিলা কোচ-ৰাজবংশী সন্মিলনীৰ সহযোগত অনুষ্ঠিত আজিৰ প্ৰথম দিনৰ কাৰ্যসূচীৰ আৰম্ভণিতে বীৰ চিলাৰায় সংঘৰ সভাপতি প্ৰফুল্ল বৰ্মণৰ দ্বাৰা পতাকা উত্তোলন কৰা হয়। ইয়াৰ পিছতেই অনুষ্ঠিত দ্বিতীয় কাৰ্যসূচীত উদযাপন সমিতিৰ সভাপতি দীননাথ বৰ্মণৰ সৈতে দশৰথ বৰ্মণ, তিলক বৰ্মণৰ লগতে গাঁওখনৰ নেতৃত্বস্থানীয় লোকসকলে বীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে।

# শিক্ষাবিদ ড০ দয়ানন্দ শ্বাহক বৰলুইত ফাউণ্ডেচনৰ 'অসম জ্যোতি সন্মান' প্ৰদান

**ই-সংবাদ, গুৱাহাটী, ১২ ফেব্ৰুৱাৰীঃ** ২০২২ চনৰ বিগত তিনিটা বছৰে সমাজৰ বিভিন্ন দিশত নিৰৱচ্ছিন্নভাৱে কাম কৰি থকা বৰলুইত ফাউণ্ডচনে এইবেলিও বীৰ চিলাৰায় দিৱস পালন কৰে। গুৱাহাটীৰ সমীপৱৰ্তী সোণাপুৰৰ ট্ৰাইছেম হ'লত আজি বৰলুইত ফাউণ্ডেচনৰ উদ্যোগত পালন কৰা বীৰ চিলাৰায় দিৱস উপলক্ষে পুৱাই বীৰ লাচিত ফুকনক বৰলুইত ফাউণ্ডেচনৰ নেতৃবৰ্গ আৰু অতিথিসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। দুপৰীয়া এখন বিশেষ মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত এইবছৰৰ 'অসম জ্যোতি সন্মান' সন্মান প্ৰদান কৰা হয়। অসমৰ সমাজ জীৱনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ডিব্ৰুগড় জিলাৰ বিশিষ্ট সমাজকৰ্মী তথা শিক্ষাবিদ ড০ দয়ানন্দ শ্বাহক 'অসম জ্যোতি সন্মান-২০২৫' প্ৰদান কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ড০ শ্বাহে এই সন্মান গ্ৰহণ কৰে। শ্বাহে এই সন্মান গ্ৰহণ কৰি কয় যে এই বঁটা মোৰ বাবে বিশেষ। কিয়নো বীৰ চিলাৰায়




দিৱসৰ দিনটোত এই বঁটা গ্ৰহণ কৰিছো। মোৰ সমাজৰ প্ৰতি দায়িত্ব বৃদ্ধি পালে। এতিয়াৰে পৰা মোৰ দায়িত্ব বাঢ়িল আৰু সমাজৰ বাবে দুগুণ উৎসাহেৰে কাম কৰিবলৈ প্ৰস্তুত হৈছো।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঘৃণা বিয়পোৱা ভাষণ ৭৪ শতাংশ বৃদ্ধি

এক গৱেষণাৰ প্ৰতিবেদন অনুসৰি মাত্ৰ এবছৰতে এনে ভাষণৰ সংখ্যা ভাৰতত বৃদ্ধি পাইছে ৭৪ শতাংশ। ৱাশ্বিংটনস্থিত গৱেষণা সংস্থা 'ইণ্ডিয়া হেট লেব'য়ে সোমবাৰে এক প্ৰতিবেদন প্ৰকাশ কৰি কয় যে ২০২৪ চনত ভাৰতত সংখ্যালঘুৰ বিৰুদ্ধে ১১৬৫টা ঘৃণামূলক ভাষণ দিয়া হৈছে। লক্ষ্যণীয়ভাৱে ২০২৩ চনত এনে ভাষণৰ সংখ্যা আছিল ৬৬৮টা। অৰ্থাৎ এবছৰৰ ভিতৰতে এই সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ সময়ত এনে ভাষণৰ হাৰ সৰ্বাধিক বুলি গৱেষক সংস্থাটোৱে প্ৰকাশ কৰিছে। তেওঁলোকে প্ৰকাশ কৰা অনুসৰি বছৰৰ আন সময়তকৈ ১৬ মাৰ্চৰ পৰা ১ জুনলৈকে নিৰ্বাচনী প্ৰচাৰৰ সময়ছোৱাত এক তৃতীয়াংশ বেছি ঘৃণনীয় মন্তব্য কৰা হৈছে। প্ৰতিবেদন অনুসৰি ২০২৪ চনত দিয়া মুঠ ঘৃণামূলক ভাষণৰ ৮০ শতাংশ বিজেপি শাসিত ৰাজ্যৰ পৰা আহিছিল। প্ৰতিবেদনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন্তব্যৰ উদ্ধৃতি দিয়া হৈছে, য'ত তেওঁ মুছলমানক "অনুপ্ৰৱেশকাৰী" বুলি উল্লেখ কৰিছে। প্ৰতিবেদনত দাবী কৰা হৈছে যে ২০২৪ চনৰ এপ্ৰিল মাহত নিৰ্বাচনী প্ৰচাৰৰ সময়ত মোদীয়ে এই মন্তব্য কৰিছিল। উল্লেখ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আমেৰিকা ভ্ৰমণৰ প্ৰস্তুতিৰ সময়তে প্ৰকাশ পাইছে সংখ্যালঘু সম্পৰ্কীয় এই উদ্বেগজনক প্ৰতিবেদন। মন কৰিবলগীয়া যে, ইয়াৰ পূৰ্বে হিউমেন ৰাইটছ ৱাচ, এমনেষ্টী ইন্টাৰনেশ্যনেলকে ধৰি কেইবাটাও মানৱ অধিকাৰ সংগঠনেও ভাৰতত সংখ্যালঘুৰ ওপৰত অত্যাচাৰৰ অভিযোগ উত্থাপন কৰিছিল। এই প্ৰতিবেদনে মোদী-ট্ৰাম্পৰ আলোচনাত কি প্ৰভাৱ পেলায় সেয়া লক্ষ্যণীয় হ'ব বুলি মন্তব্য কৰিছে বিশেষজ্ঞসকলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাম মন্দিৰৰ প্ৰধান পুৰোহিতৰ

সত্যেন্দ্ৰ দাসে। দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত বুধবাৰে পুৱা চিকিৎসালয়ত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। ৰাম মন্দিৰৰ প্ৰধান পুৰোহিতগৰাকীৰ মৃত্যুত অযোধ্যাত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল আচাৰ্য সত্যেন্দ্ৰ দাস। চলিত মাহৰ ২ তাৰিখে তেওঁৰ ব্ৰেইন ষ্ট্ৰোক হয়। তেওঁৰ অৱস্থা গুৰুতৰ হোৱাত লগে লগে তেওঁক সঞ্জয় গান্ধী পোষ্ট গ্ৰেজুৱেল মেডিকেল চায়েন্স ইনষ্টিটিউটত ভৰ্তি কৰা হয়। ষ্ট্ৰোকৰ উপৰিও ডায়েবেটিছ আৰু উচ্চ ৰক্তচাপ ৰোগতো ভুগি আছিল দাস। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে তেওঁৰ অসুস্থতাৰ খবৰ পোৱাৰ পিছতে তেওঁক সাক্ষাৎ কৰিবলৈ চিকিৎসালয়লৈ যায়। চিকিৎসকৰ সকলো প্ৰচেষ্টা ব্যৰ্থ হোৱাৰ পিছত বুধবাৰে পুৱা ৮ বজাত শেষ নিশ্বাস ত্যাগ কৰে ৰাম মন্দিৰৰ প্ৰধান পুৰোহিতগৰাকীয়ে। শিষ্য প্ৰদীপ দাসে তেওঁৰ বিয়োগৰ খবৰ নিশ্চিত কৰে। বৃহস্পতিবাৰে সৰযূ নদীৰ পাৰত তেওঁৰ শেষ ৰীতি-নীতি সম্পন্ন হ'ব। আচাৰ্য সত্যেন্দ্ৰ দাসৰ মৃত্যুত শোক প্ৰকাশ কৰিছে যোগী আদিত্যনাথে। তেওঁ ছ'চিয়েল মিডিয়াত লিখিছে, "শ্ৰী ৰাম জন্মভূমি মন্দিৰৰ প্ৰধান পুৰোহিত ৰাম ভক্ত আচাৰ্য সত্যেন্দ্ৰ দাস মহাৰাজৰ বিয়োগ অতি দুখজনক। তেওঁৰ বিয়োগ সামাজিক আৰু আধ্যাত্মিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি। শ্ৰীৰামৰ ওচৰত প্ৰাৰ্থনা জনাইছো যে তেওঁক তেওঁৰ পদযুগলত স্থান প্ৰদান কৰক আৰু তেওঁৰ শিষ্যসকলক এই শোক সহ্য কৰিবলৈ শক্তি প্ৰদান কৰক।" উল্লেখ্য যে, ১৯৯২ চনৰ ৬ ডিচেম্বৰত বাবৰি মছজিদ ভাঙি পেলোৱাৰ সময়ত ৰাম মন্দিৰৰ অস্থায়ী মন্দিৰৰ পুৰোহিত আছিল সত্যেন্দ্ৰ দাস। সেই সময়ত তেওঁ একেৰাহে ৯ মাহ মন্দিৰৰ কৰ্তব্য চম্ভালিছিল। মাত্ৰ ২০ বছৰ বয়সতে তেওঁ আধ্যাত্মিক জীৱনত প্ৰৱেশ কৰিছিল। নিৰ্বাণ আখৰাত সন্ন্যাসী হিচাপে তেওঁ সমগ্ৰ জীৱন ধৰ্মীয় কামত উৎসৰ্গা কৰিছিল।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জেলৰ পৰা আহি পত্নী-কন্যাৰ প্ৰাণ লৈ

এটা বন্ধ কোঠাত উদ্ধাৰ হৈছে একেটা পৰিয়ালৰ তিনিগৰাকী লোকৰ মৃতদেহ। ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত সৃষ্টি হৈছে তীব্ৰ উত্তেজনাৰ। উদ্ধাৰ হোৱা মৃতদেহ তিনিটা লোহিত ঠাকুৰীয়া, পত্নী জুলি ডেকা আৰু নৱম শ্ৰেণীত অধ্যয়নৰত কন্যা ঋত্বিকা ডেকাৰ বুলি চিনাক্ত কৰা হৈছে। ঘটনা অনুসৰি আজি দুপৰীয়া পৰিয়ালটোৰ কোনো লোক ঘৰৰ বাহিৰলৈ ওলাই নহাত সন্দেহৰশতঃ ওচৰ-চুবুৰীয়াই খিৰিকিৰে কোঠাৰ ভিতৰলৈ চোৱাত কন্যাৰ ৰক্তাক্ত দেহ নিথৰ অৱস্থাত প্ৰত্যক্ষ কৰিছিল। লগে লগে আৰক্ষীক খবৰ দিয়া হয়। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৱাৰ খোলাত উদ্ধাৰ হয় তিনিটা মৃতদেহ। আৰক্ষীয়ে প্ৰাথমিক তদন্তত লোহিত ঠাকুৰীয়াই পত্নী আৰু কন্যাক হত্যা কৰি আত্মহননৰ পথ বাচি লোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে। লোহিত ঠাকুৰীয়াই হত্যাকাণ্ডত ব্যৱহাৰ কৰা তেজেৰে ৰাঙলী ছুৰী আৰু কাঠৰ টুকুৰা উদ্ধাৰ কৰিছে আৰক্ষীয়ে। মৃতদেহ তিনিটা মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। জানিব পৰা অনুসৰি পেছাত গেৰেজৰ মেকানিক পূৰ্বে বিবাহিত লোহিত ঠাকুৰীয়া আছিল জুলি ডেকাৰ দ্বিতীয় স্বামী। ৰে'লৱেৰ কৰ্মচাৰী জুলি ডেকাই প্ৰথম স্বামীৰ মৃত্যুৰ পাছত কন্যা ঋত্বিকা সহ দ্বিতীয় স্বামী লোহিত ঠাকুৰীয়াৰ লগত থাকিব লৈছিল। লোহিত ঠাকুৰীয়াই সতীয়া কন্যাৰ সৈতে অপকৰ্ম কৰাৰ চেষ্টাৰ অপৰাধত ৰঙা ঘৰৰ আলহী হ'ব লগা হৈছিল। কাৰাগাৰৰ পৰা মুকলি হৈ পৃথকে থাকিবলৈ লয় যদিও প্ৰতিশোধৰ দাবানলত এই লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত কৰাৰ সন্দেহ কৰা হৈছে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে অনুসন্ধান আৰম্ভ কৰিছে। ঘটনাটোক লৈ সৃষ্টি হৈছে ব্যাপক চাঞ্চল্যৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিদেশতো গৌৰৱে নিদ্ৰা হৰিছে

অসমৰ ৰাইজক হাস্যৰসৰ খোৰাক দিছে। ছিংগাপুৰত বিনিয়োগকাৰী সঠিকভাৱে নোপোৱাৰ বাবেই সময় কটাবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেচবুক-টুইটাৰৰ যোগেদি সাংসদ গৌৰৱ গগৈৰ পত্নীয়ে এতিয়ালৈকে কিয় ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰা নাই তাক লৈ ব্যস্ত হৈ পৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ পত্নীৰ দুৰ্নীতিৰ বিৰুদ্ধে উত্থাপিত অভিযোগ সন্দৰ্ভত সাংবাদিকক বহুবাৰ কৈছে যে মানুহবোৰ তেওঁৰ পত্নীৰ পিছত কিয় লাগি থাকে? এতিয়া একাংশ সাংবাদিকে প্ৰশ্ন উত্থাপন কৰিছে হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হোৱাৰ পিছতো এজন সাংসদৰ পত্নীৰ পিছত লাগি থাকিবলৈ সময় পাইছে ক'ত? উল্লেখ্য যে, সাংসদ গৌৰৱ গগৈৰ পত্নী এলিজাবেথ কালবাৰ্ণ গগৈয়ে লণ্ডনত লীড নামৰ এটা এনজিঅ'ৰ লগত কাম কৰিছিল আৰু সেই এনজিঅ'টোৰ এটা প্ৰজেক্টৰ লগত পাকিস্তানৰ এজন পৰিৱেশবিদ জড়িত হৈ আছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অভিযোগ যে পাকিস্তানৰ পৰিৱেশবিদগৰাকী আইএছআইৰ এজেণ্ট আৰু আইএছআই এজেণ্টৰ প্ৰজেক্টত কাম কৰা বাবে এলিজাবেথ গগৈ জগৰীয়া। প্ৰশ্ন উত্থাপন হয় আইএছআইয়ে যদি কোনো ব্যক্তিক ভাৰতৰ বিৰুদ্ধে চোৰাংচোৱাগিৰি কৰিবলৈ ব্যৱহাৰ কৰে তেতিয়াহ'লে সেই কথাৰ অনুমান ভাৰতীয় চোৰাংচোৱা সংস্থা ৰ' অথবা আইবিয়ে লাভ কৰা নাছিল কিয়? সাংসদ গৌৰৱ গগৈ লোকসভাৰ বিৰোধী উপদলপতি। সাংবিধানিক পদবীত থকা এজন লোকৰ পত্নীৰ বিৰুদ্ধে ফেচবুক, টুইটাৰত অভিযোগ অনাতকৈ ভাৰতৰ গৃহ মন্ত্ৰণালয়ৰ জৰিয়তে তাৎক্ষণিকভাৱে তদন্ত কৰি প্ৰকৃত সত্য পোহৰলৈ অনাৰহে প্ৰয়োজন আছিল। তাকে নকৰি মুখ্যমন্ত্ৰীয়ে এজন আহোম জনগোষ্ঠীৰ বোৱাৰীৰ ওপৰত ভুৱা অভিযোগ উত্থাপন কৰা বিষয়টোৱে সামাজিক মাধ্যমত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সমগ্ৰ বিষয়টো পাতল কৰিবৰ বাবে সাংসদ গৌৰৱ গগৈয়ে এইবুলিও কৈছে যে মোৰ পত্নী যদি আইএছআই এজেণ্ট তেতিয়াহ'লে মই ৰ'ৰ এজেণ্ট। ৰ'ৰ এজেণ্ট হিচাপে মই ভাৰতক জিকামেই। বৰ্তমান অসমৰ আৰ্থিক আৰু বিত্তীয় অৱস্থা অত্যন্ত শোচনীয়। ১ লাখ ৫৬ হাজাৰ কোটি টকাৰ ঋণৰ বোজা লৈ মুখ্যমন্ত্ৰীয়ে বিদেশী ৰাষ্ট্ৰত বিনিয়োগকাৰী বিচৰাৰ সময়ত গৌৰৱ গগৈৰ পত্নীয়ে ইমানদিনে কিয় ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰা নাই সেই লৈ চিন্তা কৰাৰ সময় উলিওৱাতো চৰ্চিত বিষয় হৈ পৰিছে। নিজে শান্তিত নথকা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনকো শান্তিত থাকিবলৈ নিদিয়াৰ এক স্বভাৱ ছাত্ৰ অৱস্থাৰে পৰা গঢ় দিয়াৰ বাবেই হয়তো নিজৰ লগতে আনকো নলগা জেঙত লগাই আহিছে বুলিও চৰ্চা চলিছে। সমগ্ৰ বিষয়টো আইনী প্ৰক্ৰিয়াৰ মাজলৈ কেনেকৈ যায় সেই বিষয়টোও এতিয়া লক্ষণীয় হৈ পৰিব। কিন্তু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ফেচবুক, টুইটাৰত নিজেই বিচাৰকৰ ভূমিকা পালন কৰা বিষয়টোৱে সকলোকে হতচকিত কৰি তুলিছে। ইফালে, হিমন্ত বিশ্বৰ দুৰ্নীতিৰ সমস্ত ফাইল বিজেপিৰ শীৰ্ষ নেতৃত্বৰ হাতত পৰাৰ পিছতেই উত্তৰাখণ্ড, গুজৰাট আদি ৰাজ্যৰ দৰে অসমতো আধাতে মুখ্যমন্ত্ৰী সলনি কৰিবলৈ যো-জা চলোৱা বুলিও মন্তব্য কৰিছে গৌৰৱ গগৈয়ে। গগৈয়ে কয় যে অচিৰেই হিমন্তৰ স্থানত দিলীপ শইকীয়াক মুখ্যমন্ত্ৰী পাতিব কেন্দ্ৰীয় নেতৃত্বই। ২০২৬লৈকে যাতে দলৰ ভাবমূৰ্তি অক্ষুন্ন থাকে তাৰ বাবেই দলে এনে সিদ্ধান্ত লৈছে বুলিও কয় সাংসদ গৌৰৱ গগৈয়ে। এনে কাৰণতে চিন্তিত হৈ হিমন্ত বিশ্ব শৰ্মাই বিদেশত থাকিও এনেধৰণৰ কথাত লাগি আছে বুলি কয় গগৈয়ে। এনেদৰেই এতিয়া পত্নীকেন্দ্ৰিক হৈ পৰিছে অসমৰ ৰাজনীতি। উল্লেখ্য যে গৌৰৱ গগৈয়ে লোকসভা নিৰ্বাচনৰ পূৰ্বৰে পৰা হিমন্ত বিশ্ব শৰ্মাৰ পত্নী আৰু তেওঁৰ পৰিয়ালে বিভিন্ন দুৰ্নীতি সংঘটিত কৰি আহিছে বুলি দাবী কৰি অহাৰ লগতে উক্ত বিষয়ক লৈ সৰৱ হৈ থকা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছেই বিজেপিৰ একমাত্ৰ বিকল্প

ৰাইজৰ চোতালে চোতালে আহিছো। এতিয়া শুই থকা সিংহ লাহে লাহে জাগিছে। '২৬ত যেতিয়া সিংহই গুজৰিব তেতিয়াই বিজেপি চৰকাৰ দিছপুৰৰ পৰা উৎখাত হ'ব। এই আশাধাৰী মন্তব্য কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ। সমাগত পঞ্চায়ত নিৰ্বাচনৰ আগে আগে কংগ্ৰেছে আৰম্ভ কৰা চোতালে চোতালে কংগ্ৰেছ শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰি এই মন্তব্য কৰে সভাপতিজনে। দুপৰীয়া প্ৰায় ১২ বজাৰপৰা দুলীয়াজানৰ প্ৰবীণ কংগ্ৰেছ নেতা দিলীপ বৰুৱাৰ চোতালত অনুষ্ঠিত সভাখনত উপস্থিত শতাধিক লোকক সম্বোধি দিয়া ভাষণত শাসনাধিস্থিত বিজেপি দল আৰু চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে ভূপেন বৰাই। শিক্ষা, স্বাস্থ্য, কৃষি আদি সকলো বিভাগতে ভণ্ডামী চলি আছে বুলি তেওঁ মন্তব্য কৰাৰ লগতে অসমৰ ৰাইজে এতিয়া বিকল্প বিচাৰিছে আৰু কংগ্ৰেছেই বিজেপিৰ একমাত্ৰ বিকল্প বুলি উল্লেখ কৰি কংগ্ৰেছৰ কিছু চৰিত্ৰ সংশোধন, কিছু আত্মোপলব্ধি আৰু পৰিৱৰ্তিত পৰিস্থিতিৰ লগত খাপখোৱাকৈ বুদ্ধি-ভৰসাৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰে। তেওঁ লগতে সংবাদ মাধ্যমৰ ওপৰত কুহুমীয়া ক্ষোভ ব্যক্ত কৰি কয়--- সাংবাদিক বন্ধুসকলে ৰ'দে-বৰষুণে কষ্ট কৰি ইয়াৰপৰা আমাৰ বাতৰিবিলাক ঠিকেই পঠাই কিন্তু পিছদিনা সেই বাতৰিবোৰ নোলায়। কিয়নো গুৱাহাটীত শীতাতপ নিয়ন্ত্ৰিত কোঠাত বহি থকাসকলে কৰবাত আপোচ কৰি আছে। হিমন্ত বিশ্ব শৰ্মাই বিজ্ঞাপনৰ নামত এক কোটি বিশ লাখ খৰচ কৰি আছে। আজিৰ এই সভাত অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ উপ-সভাপতি তথা ডিব্ৰুগড় জিলাৰ তত্বাৱধায়ক গুণকান্ত গগৈ, উপ-সভানেত্ৰী ৰূপা দেউৰী, বালিকা লাহন পেগু, কোষাধ্যক্ষ ডাঃ হেমহৰি প্ৰসন্ন পেগু, সাধাৰণ সম্পাদক (প্ৰশাসনিক) ৰামান্না বৰুৱা, সাধাৰণ সম্পাদক (সভাপতি কাৰ্যালয়) ৰাজেশ যোশী, সম্পাদক প্ৰসেনজিৎ চৌধুৰী, সম্পাদক বিপুল ৰাভা, মুখপাত্ৰ ধ্ৰুৱজ্যোতি গগৈ, গোৰ্খা কোষৰ সভাপতি কৰ্ণ বাহাদুৰ চেত্ৰী, তিনিচুকীয়া জিলাৰ সভাপতি জয়ন্ত কলিতা, দুলীয়াজানৰ জেষ্ঠ কংগ্ৰেছী দিলীপ বৰুৱা, চাহ মজদুৰ কংগ্ৰেছৰ সভাপতি এতুৱা মুণ্ডা প্ৰমুখ্যে বহুসংখ্যক দলীয় নেতা-কৰ্মীৰ লগতে স্থানীয় লোক উপস্থিত থাকে। কাইলৈকো সমীপৱৰ্তী আন স্থানত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হস্তী আৰু মানৱ সংঘাত

এবাৰ মনটো সেমেকাই তুলিছে। ল'ৰাটোৰ নাম ৰবীন মেধি। বাক্সা-নলবাৰী সীমান্তৰ ভেৰভেৰীত ঘৰ ৰবীনৰ। হাতী খেদিবলৈ বন বিভাগৰ লগত যাওতেই উদণ্ড হাতীৰ গচকত থিতাতে প্ৰাণ হেৰুৱায় যুৱকজনে। এয়া কেৱল এটা প্ৰাণৰ মৃত্যু নহয়, এয়া এটা পৰিয়ালৰ সপোনৰ মৃত্যু! প্ৰায় প্ৰতিদিনেই এনে খবৰবোৰ পাই থাকিবলৈ লৈছো আজিকালি। কেইদিনমান আগতে গোৱালপাৰাৰ ধনুভঙাটো হাতীয়ে গচকি ফেনেকি মাৰি পেলাইছিল পদ্মলোচন ৰাভা নামৰ যুৱ খেতিয়ক এজনক। তাৰ পূৰ্বেও এনেদৰে বহু মানুহে মৃত্যুবৰণ কৰিবলগীয়া হৈছে, বহু আহত হৈছে। প্ৰতিটো খবৰে বুকুৰ ভিতৰত একোটা অবুজ বেদনাৰ জন্ম দিয়ে!

অসমত হাতী-মানুহৰ এনে চৰম সংঘাত সঁচাকৈয়ে উদ্বেগৰ বিষয়। বিশেষকৈ বনাঞ্চলৰ দাঁতিকাষৰীয়া গাঁওসমূহত হাতীৰ উপদ্ৰৱ শেহতীয়াকৈ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। চেন্টিনেল অসমৰ এটা বাতৰিত দেখিছিলো- ২০২৩-২৪ বৰ্ষত হেনো হাতীৰ আক্ৰমণত অসমত ৭৪ জনৰ মৃত্যু ঘটিছে। এটা বছৰত এই মৃত্যু কম সংখ্যানে বাৰু? গোলাঘাট, শোণিপুতৰ, গোৱালপাৰা, বাক্সা আদি অঞ্চলত হাতীৰ উপদ্ৰৱ যেন সাধাৰণ কথা! ক্ৰমান্বয়ে বনাঞ্চলৰ পৰিসৰ হ্ৰাস আৰু খাদ্যৰ সন্ধানত জনাঞ্চললৈ ঢাপলি মেলা হাতীয়ে তহিলং কৰিছে মানুহে কৰা শইচৰ পথাৰ, উদং কৰিছে ভঁৰালৰ ধান। পকী ঘৰবোৰৰ বিপৰীতে কেঁচা মাটিৰ ঘৰবোৰত হাতৰ মুঠিত জীউটো লৈ হোজা গাঁওলীয়াই পাৰ কৰে আতংকৰ নিশা।

কিছুদিন আগতে ৱেব মিডিয়া News Next Oneত সাংবাদিক পংকজ তৰুণে লিখা হাতী বিষয়ক লেখা এটা পঢ়িছিলো। কাহানিও হাতী নেদেখা নলবাৰী জিলাৰ কেইখনমান গাঁৱৰ ৰাইজে শেহতীয়াকৈ হাতীৰ বাবে ভুগিবলগীয়া হোৱা দুৰ্ভোগৰ বিষয়ে লিখিছিল সাংবাদিকগৰাকীয়ে। কেৱল টিভি আৰু বাতৰি কাকতৰ জৰিয়তে চিনি পোৱা হাতীবোৰৰ উদণ্ড ৰূপ চকুৰ সন্মুখত দেখি আতংকিত হৈ পৰিছিল অঞ্চলবাসী। খাদ্য বিচাৰি ভূটানৰ পাহাৰৰ পৰা নামি অহা হাতীৰ জাকে তচনচ কৰিছিল বহু ঘৰ, অমানিশা নমাইছিল অনেক পৰিয়াললৈ।

হাতী বিষয়ক সাংবাদিকগৰাকীৰ সেই লেখাটোৰ বিষয়ে ইয়াত উল্লেখ কৰাৰ কাৰণ হ'ল- সাম্প্ৰতিক সময়ত বন্যহস্তীৰ আতংক সৰ্বত্ৰে যেন বিৰাজমান। যিবোৰ অঞ্চলত আগতে হাতীৰ উমঘামেই নাছিল, সেইবোৰ অঞ্চলৰ জনতাইও এতিয়া হাতীৰ ভয়ত উজাগৰী নিশা কটাবলগীয়া হৈছে। বহু ঠাইত হাতীৰ দ্বাৰা মানুহৰ মৃত্যুও ঘটিছে, অথবা ঘূণীয়া হৈছে।

অৱশ্যে এনে নহয় যে এতিয়া কেৱল হাতীৰ আক্ৰমণতে মানুহৰ মৃত্যু ঘটে, মানুহৰ হাততো প্ৰাণ হেৰিছে বন্যহস্তীৰ। বিশেষকৈ পাহাৰৰ নিকটৱৰ্তী অঞ্চলত খেতিপথাৰ সুৰক্ষিত কৰিবলৈ প্ৰায়ে কৃষকসকলে পথাৰৰ চাৰিওফালে বিদ্যুৎ পৰিবাহী তাঁৰ সংযোগ কৰে। সেই তাঁৰত লাগি বহু হাতীৰ মৃত্যুমুখত পৰাৰ ঘটনাও সংঘটিত হৈছে।

অৰণ্য ভেদি পাৰ হৈ যোৱা ৰে'ল লাইনত তীব্ৰবেগী ৰে'লৰ খুন্দাত বন্যহস্তী আৰু অন্য জীৱ-জন্তুৰ মৃত্যুও এক সাধাৰণ ঘটনাই। কিছু মাহ পূৰ্বে ৰাণী অঞ্চলত তেনেকৈয়ে মৃত্যুক সাবটিছিল এটা প্ৰাপ্তবয়স্ক হাতীয়ে। ৰাজ্যৰ অইন অইন প্ৰান্ততো তেনে কেইবাটাও ঘটনা ইতিমধ্যে সংঘটিত হৈ গৈছে।

হাতীবোৰ মানুহৰ মাজত নোসোমাই যাব ক'লৈ? এই প্ৰশ্নও গুৰুত্বপূৰ্ণ। মানুহ যিমানেই আধুনিক হৈছে, সিমানেই বাঢ়িছে খক। মানুহৰ ভোকাৰ্ত মনৰ সন্মুখত ক্ষীপ্ৰতাৰে হ্ৰাস পাইছে অৰণ্যৰ পৰিসৰ। চৰকাৰৰ উন্নয়নৰ শ্লোগানত তহিলং গৈছে গছ-গছনিবোৰ। এনে পৰিস্থিতিত কেৱল হাতীয়েই নহয়, বনৰ মাজত জীয়াই থকা অন্য জীৱ-জন্তুইও খাদ্য বিচাৰি ওলাই আহিবলগীয়া হৈছে বাহিৰলৈ। হাতীৰ উপদ্ৰৱৰ সমান্তৰালভাৱে বাঘ, বনৰীয়া ম'হ, বন গাহৰি আদিৰ দৰে বন্য জীৱ-জন্তুৰ আতংকৰ ঘটনা বিগত এবছৰ-দুবছৰত অসমত ভয়ংকৰ হাৰত বৃদ্ধি পাইছে।

একে সময়তে বহু অঞ্চলত হাতী-মানুহৰ সংঘাত ৰোধৰ ক্ষেত্ৰত বন বিভাগৰ পদক্ষেপ যথেষ্ট নহয় বুলিও অভিযোগ উত্থাপন হৈ আহিছে। হাতী খেদাৰ বাবে ব্যৱহাৰ কৰা ফায়াৰিং, টৰ্চলাইটৰ দৰে পৰম্পৰাগত পদ্ধতিসমূহে প্ৰায়ে কাম নিদিয়াটো প্ৰমাণিত হৈছে। ইয়াৰ উপৰি, হাতীৰ চলাচলৰ বাবে সংৰক্ষিত কৰিডৰ স্থাপন, বনাঞ্চল পুনৰুদ্ধাৰৰ দৰে দীৰ্ঘম্যাদী পৰিকল্পনাৰ অভাৱেই সমস্যাক জটিল কৰি তুলিছে।

যা নহওঁক, বিগত কিছু বছৰত বৃদ্ধি পোৱা এনেধৰণৰ সংঘাত ৰোধ কৰিবলৈ সমন্বিত প্ৰয়াসৰ প্ৰয়োজন। হাতী আৰু অন্যান্য বন্যপ্ৰাণীৰ বাবে সংৰক্ষিত অঞ্চল স্থাপন কৰাটোও সমান্তৰালভাৱে জৰুৰী। বিশেষকৈ চৰকাৰে আগভাগ ল'বই লাগিব। মানুহৰ মাজত সজাগতা সৃষ্টি কৰিব লাগিব, বনাঞ্চলৰ সৈতে মানুহৰ বসতিৰ মাজত বাফাৰ জ'ন সৃষ্টি কৰাৰ দৰে উদ্যোগ গ্ৰহণ কৰিব লাগিব।

হাতী হওক বা মানুহ, বা অন্য কোনো জীৱ-জন্তুৱেই হওক, এই পৃথিৱীখন সকলোৰে বাবে। আমাৰ চিন্তা কৰাৰ ক্ষমতা আছে বাবেই বা আমি উন্নত প্ৰজাতি বুলি নিজক লৈ গৰ্ব কৰো বাবেই এই পৃথিৱীত কেৱল আমাৰ ৰাজত্বই চলিব, সেই ধাৰণা কৰাটো মুৰ্খামিৰ বাহিৰে আন একো নহয়। যেতিয়ালৈকে আমি নিজক লৈ অহংকাৰত মত্ত হৈ থাকিম, যেতিয়ালৈকে আমি অৰণ্যবোৰো আমাৰেই সম্পত্তি বুলি ভাবি থাকিম, তেতিয়ালৈকে বন্য জীৱ-জন্তুৰ ক্ৰোধৰ পদতলত পিষ্ট হৈ থাকিব ৰবীন, পদ্মলোচনৰ দৰে হাজাৰ হাজাৰ মানুহ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দোষী সাব্যস্ত প্ৰাক্তন কংগ্ৰেছ নেতা

সৰস্বতী বিহাৰত দুজন শিখ লোকক হত্যা কৰাৰ অপৰাধত দোষী সাব্যস্ত কৰিছে দিল্লীৰ আদালতে। দেওবাৰে তিহাৰ জেলৰ পৰা আদালতত হাজিৰ কৰোৱা হয় সজ্জন কুমাৰক। ন্যায়াধীশ কাবেৰী বাৱেজাই কয় যে ১৮ ফেব্ৰুৱাৰীত তেওঁৰ শাস্তিৰ শুনানি অনুষ্ঠিত হ'ব। উল্লেখ্য যে, ১৯৮৪ চনৰ ৩১ অক্টোবৰত প্ৰাক্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ হত্যাৰ পিছত সমগ্ৰ দেশতে শিখ বিৰোধী ভয়ানক হিংসা সংঘটিত হয়। সেই সময়ত কংগ্ৰেছ নেতা সজ্জন কুমাৰ দিল্লীৰ ৰাজনগৰৰ সাংসদ আছিল। ১ নৱেম্বৰত সৰস্বতী বিহাৰত যশৱন্ত সিং আৰু তেওঁৰ পুত্ৰ তৰুনদীপ সিঙক নৃশংসভাৱে হত্যা কৰা হৈছিল। সেই ঘটনাৰ লগত সজ্জন কুমাৰৰ নাম আৰম্ভণিৰে পৰাই জড়িত হৈ আছিল। প্ৰথম অৱস্থাত পঞ্জাৱী বাগ আৰক্ষী থানাত এজাহাৰ দাখিল কৰা হৈছিল যদিও পিছত তদন্ত বিশেষ তদন্তকাৰী দলৰ হাতত অৰ্পণ কৰা হয়। ২০২১ চনৰ ১৬ ডিচেম্বৰত আদালতে সজ্জন কুমাৰৰ বিৰুদ্ধে হত্যাৰ অভিযোগ উত্থাপন কৰে। অধিবক্তাসকলে দাবী কৰে যে ইন্দিৰা গান্ধীৰ হত্যাকাণ্ডৰ পিছত উন্মাদ সম্প্ৰদায়ে হিংসা আৰম্ভ কৰিছিল। সেই সময়ত যশৱন্ত সিঙৰ ঘৰত আক্ৰমণ হৈছিল। তেওঁ আৰু তেওঁৰ পুত্ৰক হত্যা কৰি লুটপাত কৰি ঘৰটোত জুই লগাই দিয়া হৈছিল। যশৱন্ত সিঙৰ পত্নীয়ে পৰৱৰ্তী সময়ত এই ঘটনাক লৈ আৰক্ষীক এজাহাৰ দাখিল কৰে। দীৰ্ঘদিনীয়া তদন্তৰ অন্তত একাধিক তথ্য প্ৰমাণ পোহৰলৈ আহে, য'ত সজ্জন কুমাৰৰ ভূমিকা স্পষ্ট হয়। অৱশেষত চাৰিটা দশকৰ পাছত আদালতৰ ৰায়ৰ দ্বাৰা দোষী সাব্যস্ত হ'ল প্ৰাক্তন কংগ্ৰেছ সাংসদগৰাকী। এতিয়া কি শাস্তি লাভ কৰে সেয়া লক্ষণীয় হ'ব।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# যোগীঘোপাত কয়লাৰ নথি বিচাৰি

কামৰ নামত আজিৰ তাৰিখলৈকে ১লাখ ৫৬ হাজাৰ কোটি টকা ঋণ লৈছে। এই ঋণৰ সুতৰ বাবদ বছৰেকত ১০ হাজাৰ কোটি টকা ধাৰ পৰিশোধ কৰিবলগীয়া হৈছে। ৰাজহ সংগ্ৰহৰ উৎসসমূহ সুচল নোহোৱা বাবে ৰাজ্য চৰকাৰে বিভিন্ন শিতানৰ কৰ-কাটল সংগ্ৰহত সংকটত পৰিছে। ইয়াৰ উদাহৰণ হিচাপে শেহতীয়াকৈ যোগীঘোপাত জিএছটি বিষয়াই ৮৩খন নথি-পত্ৰ নোহোৱা কয়লা ভৰ্তি ট্ৰাক জব্দ কৰিছে। এই কয়লা ভৰ্তি ট্ৰাকসমূহৰ মালিকসকল ছিণ্ডিকেট চক্ৰৰ লগত জড়িত হোৱা বাবে এখনো ট্ৰাকৰ কোনো নথি-পত্ৰ জিএছটি বিষয়াসকলক দাখিল কৰিব পৰা নাই। ট্ৰাকসমূহ অসমৰ মাজেৰে পশ্চিমবংগলৈ যায় বুলি একাংশ ট্ৰাক ড্ৰাইভাৰে স্বীকাৰ কৰিছে আৰু তেওঁলোকে নথি-পত্ৰ নোহোৱাকৈ অসম সীমান্ত পাৰ হৈ যায় বুলি জানিবলৈ দিছে। দৈনিক এনেদৰে শ শ ট্ৰাক ৰাজ্য চৰকাৰক জিএছটি নিদিয়াকৈ অসমৰ মাজেৰে পাৰ হৈ যায়। জিএছটিৰ বিনিময়ত এইদৰে তেওঁলোকে মধ্যভোগীক দিবলগীয়া হয় গুণ্ডা টেক্স। এই গুণ্ডা টেক্সৰ ছিণ্ডিকেট চলাই অসমৰ এজন প্ৰভাৱশালী মন্ত্ৰীয়ে। উল্লেখ্য যে, নামনি অসমৰ বঙাইগাঁও জিলাৰ কয়লা বজাৰ খ্যাত যোগীঘোপাত কেন্দ্ৰীয় চৰকাৰৰ সামগ্ৰী আৰু সেৱাকৰ চমুকৈ জি এচ টি চোৰাংচোৱা সঞ্চালকালয়ৰ (ডিজিজিআই) ৫০ জনীয়া এটি বৃহৎ দলে অভিযান চলাই আশী খনতকৈ অধিক কয়লা ভৰ্তি ট্ৰাক জব্দ কৰাত এক চাঞ্চল্যৰ সৃষ্টি হৈছে। নিশা পৰ্যন্ত কয়লা বজাৰখনত জিএছটি চোৰাংচোৱা সঞ্চালকালয়ৰ দলটোৱে অভিযান অব্যাহত ৰাখিছে। জি এচ টি চোৰাংচোৱাৰ দলটো কয়লা বজাৰখনত উপস্থিত হোৱাত কয়লা ব্যৱসায়ীসকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। দলটোৱে চলোৱা অভিযান কালত কয়লা ব্যৱসায়ীসকলে কয়লাভৰ্তি ট্ৰাক সমূহৰ কয়লাৰ সৰবৰাহ সন্দৰ্ভত প্ৰয়োজনীয় নথিপত্ৰ প্ৰদৰ্শন নকৰাত দলটোৱে কয়লাভৰ্তি ট্ৰাকসমূহ এফালৰ পৰা জব্দ কৰে। উল্লেখ্য যে, কয়লাৰ অভাৱত দীৰ্ঘদিন ধৰি যোগীঘোপাৰ কয়লা বজাৰখন বন্ধ হৈ থকাৰ পিছত কেইমাহমান পূৰ্বে মেঘালয়ৰ পৰা যোগীঘোপালৈ কয়লাৰ সৰবৰাহ আৰম্ভ হৈছিল। কয়লা ব্যৱসায়ীসকলে যোগীঘোপা কয়লা বজাৰৰ পৰা কয়লা সমূহ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ উপৰিও পশ্চিম বংগ আৰু বিহাৰ আদি ৰাজ্যলৈ প্ৰেৰণ কৰি দুপইচা উপাৰ্জন কৰি নিজৰ পৰিয়াল পোহপাল দি আহিছে। কিন্তু আজি হঠাতে কয়লা বজাৰখনত জিএচটি অভিযানকাৰী দলটোৰ উপস্থিতিয়ে কয়লা ব্যৱসায়ীসকলৰ মাজত হাহাকাৰ পৰিৱেশৰ সৃষ্টি কৰে। জিএছটিৰ অভিযানকাৰী দলটোৱে কয়লাৰ নথি-পত্ৰৰ পৰীক্ষা অব্যাহত ৰাখিছে যদিও অধিকাংশ ব্যৱসায়ীয়ে ট্ৰাকেৰে কঢ়িয়াই অনা কয়লাৰ বৈধ নথি-পত্ৰ দেখুৱাবলৈ সক্ষম হোৱা নাই অভিযানকাৰী দলটোক। জিএছটি ফাঁকিৰে কয়লা সৰবৰাহৰ অভিযোগত কেন্দ্ৰীয় চৰকাৰৰ জিএছটি চোৰাংচোৱা সঞ্চালকালয়ৰ দলটোৱে কয়লা বজাৰখনত হঠাতে এনেদৰে অভিযান চলোৱা বুলি চৌদিশে সৰৱ চৰ্চা চলিছে। আনকি দলটোৱে যোগীঘোপা কয়লা বজাৰতখনতে অস্থায়ীভাৱে তম্বু সাজিছে। প্ৰায়োজনীয় সা-সামগ্ৰীৰে সুসজ্জিত চোৰাংচোৱা দলটো যোগীঘোপাত কেইবাদিনৰ বাবে বাহৰ পতাৰ যো-জা চলোৱা বুলিও জানিব পৰা গৈছে। তেনে পৰিস্থিতিত যোগীঘোপা কয়লা বজাৰখন পুনৰ সম্পূৰ্ণ ৰূপে স্তব্ধ হৈ পৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মমতাক ত্যাগ অভিজিৎ মুখাৰ্জীৰ

মুখাৰ্জীৰ। চাৰিটা দীঘলীয়া বছৰৰ পিছত তৃণমূল কংগ্ৰেছ এৰি পুনৰ কংগ্ৰেছত যোগদান কৰিলে অভিজিৎ মুখাৰ্জীয়ে। বুধবাৰে পশ্চিম বংগ কংগ্ৰেছৰ মুখ্য কাৰ্যালয় বিধান ভৱনত ৰাজ্যিক কংগ্ৰেছৰ পৰ্যবেক্ষক গুলাম আহমেদ মীৰৰ উপস্থিতিত কংগ্ৰেছত যোগদান কৰে প্ৰাক্তন ৰাষ্ট্ৰপতিৰ পুত্ৰই। ইফালে নিজৰ পুৰণি দললৈ উভতি আহি অভিজিৎ মুখাৰ্জীয়ে কংগ্ৰেছ এৰি ভুল কৰা বুলি স্বীকাৰ কৰে। তেওঁ কয়, "যেতিয়া মই কংগ্ৰেছত যোগদান কৰিছিলো তেতিয়া মই চৰকাৰী চাকৰি কৰি আছিলো, কিন্তু মই ৰিস্ক লৈছিলো। মোক ককাৰ আসন নলহাটী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিবলৈ কোৱা হৈছিল। ৪৪ বছৰ ধৰি কংগ্ৰেছে সেই আসনত জয়ী হোৱা নাছিল, কিন্তু মই জয়লাভ কৰিছিলো। সেই কংগ্ৰেছক মই পাহৰিব নোৱাৰো। কংগ্ৰেছ এৰি যোৱাটো মোৰ ভুল আছিল। মই অনুশোচনা কৰিছো।" ৬৫ বছৰীয়া অভিজিৎ মুখাৰ্জীয়ে কৰ্পৰেট খণ্ডত কৰ্মৰত হৈ আহিছে। পিতৃ প্ৰণৱ মুখাৰ্জী ৰাষ্ট্ৰপতি হোৱাৰ পিছত ২০১২ চনত পশ্চিমবংগৰ জাংগীপুৰৰ পৰা সাংসদ হিচাপে নিৰ্বাচিত হৈছিল মুখাৰ্জী। ২০১৪ চনৰ লোকসভা নিৰ্বাচনত তেওঁ পুনৰ কংগ্ৰেছৰ টিকটত আসনখন অক্ষুণ্ণ ৰাখিছিল। কিন্তু ২০১৯ চনত তৃণমূল কংগ্ৰেছৰ খলিলুৰ ৰহমানৰ হাতত পৰাস্ত হয়। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ অপ্ৰতিৰোধ্য বিজয়ৰ পিছতে মমতা বেনাৰ্জীৰ দলত যোগদান কৰে অভিজিৎ মুখাৰ্জীয়ে। তৃণমূল কংগ্ৰেছত যোগদান কৰাৰ পিছত বিজেপিৰ উত্থান বন্ধ কৰাৰ বাবে মমতা বেনাৰ্জীক প্ৰশংসা কৰে। সেই সময়ত তেওঁ দাবী কৰিছিল যে কংগ্ৰেছে তেওঁক কেতিয়াও তেওঁৰ প্ৰাথমিক সদস্যপদৰ বাহিৰে কোনো দায়িত্ব দিয়া নাছিল। কিন্তু তৃণমূল পৰ্যায়ত থাকিলেও তেওঁ বিশেষ সক্ৰিয় নাছিল। অৱশ্যে বিগত সময়ত তেওঁ বিতৰ্কৰ মাজতো সোমাই পৰে। ২০১২ চনত তেওঁ দিল্লীৰ নিৰ্ভয়া কাণ্ডৰ পিছত প্ৰতিবাদকাৰী মহিলাসকলক “ডেণ্টেড আৰু পেইণ্টেড” আখ্যা দিছিল।

# ধলা আহোম গাঁৱত লোমহৰ্ষক হত্যাকাণ্ড, অকলশৰীয়া মহিলাক নিশা ঘৰতে হানি-খুঁচি হত্যা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১২ ফেব্ৰুৱাৰীঃ** তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত ধলা আহোম গাঁৱত এক চাঞ্চল্যকৰ হত্যাকাণ্ড সংঘটিত হয়। গাঁওখনৰ মইনা বুঢ়াগোহাঁই নামৰ ৭২ বছৰীয়া মহিলাগৰাকীক যোৱা নিশা নিজ বাসগৃহতে কোনো দুবৃত্তই হানি-খুচি হত্যা কৰি থৈ যায়। গাঁওখনত অকলশৰে বসবাস কৰা মহিলাগৰাকীক আজি পুৱা দেৰিলৈকে ঘৰৰ বাহিৰলৈ ওলাই নহা দেখি প্ৰতিবেশীয়ে মহিলাগৰাকীৰ ঘৰত খবৰ লবলৈ যোৱাত মহিলাগৰাকীক উলংগ অৱস্থাত তেজেৰে লুতুৰি-পুতুৰি হৈ ঘৰৰ ভিতৰত পৰি থকা দেখা পায়। ঘটনাৰ সন্দৰ্ভত ৰাইজে লগে লগে তালাপ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী গৈ উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৃতদেহটো মৰনোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়ালৈ প্ৰেৰণ কৰে। ঘৰত অকলে থকাৰ সুযোগ লৈ মহিলাগৰাকীক নিজ গৃহতে নিশা হত্যাকাৰীয়ে বৰ্বৰভাৱে হানি-খুচি হত্যা কৰি ঘৰৰ ভিতৰতে পেলাই থৈ যোৱা ঘটনাক লৈ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ হৈছে। হত্যাকাৰীয়ে কি কাৰণত মহিলাগৰাকীক হত্যা কৰিলে, সেয়া ৰহস্যৰ আৱৰ্তত যদিওঁ, ঘটনাটোক কোনেও সহজভাৱে ল'ব পৰা নাই। তালাপ আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে যদিওঁ, হত্যাকাৰীক আটক কৰিবলৈ সক্ষম হয় নে নহয়, সেয়া লক্ষণীয় হ'ব!

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

# আমিনগাঁৱত চিলাৰায়ৰ জয়ন্তী উদযাপন

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১২ ফেব্ৰুৱাৰীঃ** বিশ্ব মহাবীৰ চিলাৰায়ৰ বীৰত্ব, তেখেতৰ গেৰিলা ৰণকৌশল, যুদ্ধ নিপুণতা আদি দিশৰ ওপৰত সঠিক অধ্যয়ন-গৱেষণাৰ জৰিয়তেহে মহাবীৰগৰাকীক বিশ্ব দৰবাৰলৈ আগবঢ়াই নিব পৰা যাব। এইদিশত সকলোৰে সমূহীয়া দায়িত্ব আৰু কৰ্তব্য আছে।- এই মন্তব্য মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ। বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক জয়ন্তী উপলক্ষে আজি কামৰূপ জিলাৰ আমিনগাঁওস্থিত চিলাৰায় উদ্যানত এক মুকলি সভাত অংশগ্ৰহণ কৰি এইদৰে কয় ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। কামৰূপ জিলা প্ৰশাসন আৰু উত্তৰ আৰু দক্ষিণ কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ সহযোগত আয়োজিত আজিৰ অনুষ্ঠানত মন্ত্ৰী পাটোৱাৰীয়ে কয় যে বৰ্তমান যুগত নৱপ্ৰজন্মই অসমৰ ইতিহাসৰ মহান ব্যক্তিসকলৰ বিষয়ে ভালদৰে জনা প্ৰয়োজন। এই প্ৰসংগত তেওঁ নৱপ্ৰজন্মই লাচিত বৰফুকন আৰু চিলাৰায়ৰ দৰে বীৰসকলৰ লগতে শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ দৰে অসম সন্তানৰ অৱদানৰ বিষয়ে অধ্যয়ন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে লাচিত বৰফুকনৰ বীৰত্ব, শৌৰ্য-বীৰ্যৰ বিষয়ে ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্যায়ত বহুখিনি প্ৰচাৰ হৈছে। চিলাৰায়ৰ জীৱন আৰু কৰ্মৰাজিৰ সম্পৰ্কে গৱেষণা, অধ্যয়নৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী পাটোৱাৰীয়ে যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে মহাৰাজ নৰনাৰায়ণৰ নিৰ্দেশমৰ্মে কোচবিহাৰ পৰ্যন্ত সাজি উলিওৱা ইতিহাস প্ৰসিদ্ধ গোঁহাই কমল আলিৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাৰ সভাপতিতত্বত শেহতীয়াকৈ অনুষ্ঠিত এক কেবিনেটত এই গোঁহাই কমল আলি অসম মালা আঁচনিৰ অধীনত উন্নত মানসম্পন্নভাৱে নিৰ্মাণ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক জয়ন্তী উপলক্ষে অনুষ্ঠিত মুকলি সভাত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় জয়ন্তী উদযাপন সমিতিৰ সভাপতি খগেন্দ্ৰজিৎ ঠাকুৰীয়া, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ উপাধ্যক্ষ জিতু দাস, সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ উপ-সভাপতি ডº ৰবীন দাস, ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় জন্মজয়ন্তী উদযাপন অনুষ্ঠানৰ এগৰাকী অন্যতম পৃষ্ঠপোষক মধুসূদন মেধি উপস্থিত থাকে। মুকলি সভাৰ পূৰ্বে পুৱাৰ ভাগত বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ অনুষ্ঠানত ৰঙিয়াৰ বিধায়ক ভবেশ কলিতা, আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞাৰ লগতে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰইও অংশগ্ৰহণ কৰে। মিশ্ৰই ভাষণ প্ৰসংগত বীৰ চিলাৰায়ে কোচ সাম্ৰাজ্যৰ এক দৃঢ় ভেটি প্ৰতিষ্ঠা কৰাত তথা সাম্ৰাজ্য বিস্তাৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল বুলি উল্লেখ কৰে।

# বিছেন্নালাত ছহিদ ভাস্কৰ কুমাৰৰ মৃত্যু তিথি পালন

**ই-সংবাদ, ৰঙিয়া, ১২ ফেব্ৰুৱাৰীঃ** দেশ মাতৃৰ সুৰক্ষাৰ সেৱাত নিয়োজিত হৈ অকাল মৃত্যুক সাবটি লোৱা ছহিদ ভাস্কৰ জ্যোতি কুমাৰৰ মৃত্যু তিথি আজি ৰঙিয়াৰ বিছেন্নালাত অনুষ্ঠিত কৰা হয়। ছহিদগৰাকীৰ সমাধিস্থলীত তদুপলক্ষে পৰিয়াল বৰ্গৰ উদ্যোগত দিনজোৰাকৈ ৰূপায়ণ কৰা হয় কাৰ্যসূচী। পুৱাৰ ভাগত বন্তি প্ৰজ্বলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ গোলোক চন্দ্ৰ তালুকদাৰ আৰু ছহিদ পিতৃ তথা অৱসৰপ্ৰাপ্ত গাঁও প্ৰধান যোগেন্দ্ৰ নাথ কুমাৰে। ইয়াৰ পিছতে ছহিদৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক পদ্মধৰ কুমাৰৰ লগতে পৰিয়াল বৰ্গই। কাৰ্যসূচীৰ অংশ হিচাপে দিনৰ ভাগত আয়োজিত ভাগৱত পাঠ অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৰঙিয়া জিলাৰ প্ৰচাৰক মহিম মেধিয়ে ভাগৱতী ৰূপে অংশগ্ৰহণ কৰে। আনহাতে, কাৰ্যসূচীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূলৰ সদস্য অতুল ডেকা, বিজেপি কিষাণ মৰ্চাৰ উত্তৰ কামৰূপ জিলাৰ উপ-সভাপতি প্ৰবোধ কাকতী সমন্বিতে স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। ছহিদ গৰাকীৰ স্মৃতি সোঁৱৰণ কৰি যুগমীয়া কৰাৰ লক্ষ্যৰে স্থাপন কৰা সুবিশাল প্ৰতিমূৰ্তি সংৰক্ষণৰ লগতে সমাধিস্থলীৰ সৌন্দৰ্যবৰ্ধনৰ পদক্ষেপ গ্ৰহণৰ বাবে স্থানীয় বিধায়ক ভবেশ কলিতাক আহ্বান জনায় প্ৰবোধ কাকতীৰ লগতে ছহিদগৰাকীৰ জ্যেষ্ঠ ভাতৃ ভূমিধৰ কুমাৰে। সন্ধিয়া বন্তি প্ৰজ্বলন কাৰ্যসূচীৰে অনুষ্ঠানৰ সামৰণি পৰে।

# খুমটাইৰ সমাজকৰ্মী পৰাণজ্যোতি শইকীয়াৰ বিশেষ পদক্ষেপ

**ই-সংবাদ, খুমটাই, ১২ ফেব্ৰুৱাৰীঃ** সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা। পৰীক্ষাৰ পূৰ্বে খুমটাইৰ বিশিষ্ট সমাজকৰ্মী তথা ব্যৱসায়ী পৰাণ জ্যোতি শইকীয়াই এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ছাত্ৰ-ছাত্ৰীৰ শিক্ষা জীৱনৰ অতি গুৰুত্বপূৰ্ণ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পূৰ্বে তেওঁ খুমটাই সমষ্টিৰ বিভিন্ন প্ৰান্তত পৰীক্ষাৰ্থীসকলক উৎসাহিত কৰিবলৈ পৰীক্ষাৰ শুভেচ্ছা পত্ৰ প্ৰদান কৰাৰ লগতে শৈক্ষিক সামগ্ৰী সমৃদ্ধ একোটাকৈ উপহাৰৰ টোপোলা আগবঢ়াইছে। আজি পৰাণজ্যোতি শইকীয়াই খুমটাইৰ গৰঙা চাহ বাগিচাৰ নৰ্থ গৰঙা প্ৰাথমিক বিদ্যালয় প্ৰাঙ্গণত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ ওলোৱা গৰঙা চাহ বাগিচাৰ অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰীক একোখনকৈ শুভেচ্ছা পত্ৰ আৰু শৈক্ষিক সামগ্ৰী উপহাৰ হিচাপে আগবঢ়ায়। লগতে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰি বহুমূলীয়া বক্তব্য আগবঢ়ায়। এই কাৰ্যসূচীত গৰঙা চাহ বাগিচাৰ জনকল্যাণ বিষয়া লীলাধৰ মৃদ্ধা, বিশিষ্ট সমাজকৰ্মী জীতেন কুৰ্মী, যুৱনেতা ৰূপান্তৰ তাঁতী, নৰ্থ গৰঙা প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি বিজু কমাৰকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সমাজকৰ্মী পৰাণ জ্যোতি শইকীয়াই আগন্তুক দিনত ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক, ক্ৰীড়া আদি বিভিন্ন দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰি যাব বুলি জানিবলৈ দিয়ে।



মৰাণৰ ধেমেচিত সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলাৰ উদ্যোগত অনুষ্ঠিত মহাবীৰ চিলাৰায় দিৱসত শৃংখল চলিহা, ফটোঃ ই-সংবাদ, চাবুৱা-লাহোৱাল

# অসম-নাগালেণ্ড সীমান্তত অ'এনজিচিৰ তেল খাদ বন্ধ কৰিবলৈ নিৰ্দেশ নাগালেণ্ড প্ৰশাসনৰ

## সৰুপথাৰ সমজিলাৰ অসম-নাগালেণ্ড সীমান্তত ব্যাপক প্ৰতিক্ৰিয়া

**ই-সংবাদ, সৰুপথাৰ, ১২ ফেব্ৰুৱাৰীঃ** গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তত নাগালেণ্ড প্ৰশাসনে পুনৰ হালধিবাৰী চিএলএলএ চাইদৰ এটা অ'এনজিচিৰ তেল খাদ আৰু ঘোলাপানী অ'এনজিচিৰ তেলখাদৰ কাম বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াৰ খবৰ আহিছে। খবৰ অনুসৰি অসম-নাগালেণ্ড সীমান্তৰ বিবাদমান এলেকাত থকা অ'এনজিচি তেল খাদ কেইটাত নাগালেণ্ড প্ৰশাসনৰ এটা দল আহি অ'এনজিচিৰ তেলখাদ কেইটাত প্ৰৱেশ কৰে আৰু নাগালেণ্ড প্ৰশাসনৰ অনুমতি নোলোৱালৈকে তেল খাদ কেইটাৰ কাম-কাজ সম্পূৰ্ণ বন্ধ কৰিবলৈ মৌখিকভাৱে নিৰ্দেশ প্ৰদান কৰে। দীৰ্ঘদিন ধৰি গোলাঘাট প্ৰশাসনক কোনো কেৰেপ নকৰি নাগালেণ্ড প্ৰশাসনে সঘনাই অসমৰ বিবাদমান এলেকাত থকা অ'এনজিচিৰ তেল খাদসমূহ দিনক দিনে এটা এটাকৈ বন্ধ কৰি আহিছে। কিছু দিন পূৰ্বে সৰুপথাৰ সমজিলাৰ অসম-নাগালেণ্ড সীমান্তৰ বিভিন্ন উন্নয়নমূলক কাম-কাজত বাধা আৰোপ কৰি নাগালেণ্ডৰ ৱালান মহকুমা প্ৰশাসনে সৰুপথাৰ সমজিলা প্ৰশাসনক এখন প্ৰত্ৰৰ যোগে অসমৰ নাগালেণ্ড সীমান্তৰ এ বি আৰু চি চেক্টৰত চলি থকা সকলো উন্নয়নমূলক কাম-কাজ বন্ধ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছিল। সীমান্ত অঞ্চলত চলি থকা বিএছএনএল টাৱাৰ নিৰ্মাণৰ কাম, অসম চৰকাৰৰ জল জীৱন মিছনৰ লগতে তেল কোম্পানীসমূহৰ দিলিং ছাইদ আদি বন্ধ কৰিবলৈ সৰুপথাৰ সমজিলা প্ৰশাসনক নিৰ্দেশ জাৰি কৰাৰ পিছতেই হালধিবাৰী-লাচিত গাঁও পঞ্চয়তৰ অন্তৰ্গত হালধিবাৰী বাম চুক গাঁৱৰ এটা অ'এনজিচিৰ তেল খাদ বন্ধ কৰি অন্য স্থানলৈ হস্তান্তৰ কৰিব লগীয়া হৈছিল অ'এনজিচিৰ কৰ্তৃপক্ষই। এতিয়া পুনৰ গোলাঘাট জিলা প্ৰশাসনৰ নিলিপ্ততাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি নাগালেণ্ডৰ ৱালান মহকুমাৰ সীমান্ত দণ্ডাধীশগৰাকীয়ে অ'এনজিচিৰ তেল খাদসমূহত প্ৰবেশ কৰি কাম বন্ধ কৰিবলৈ নিৰ্দেশ দিছে। নাগালেণ্ড প্ৰশাসনৰ এনে আগ্ৰাসী ৰূপ দেখি চিন্তিত হৈ পৰিছে সৰুপথাৰৰ সচেতন ৰাইজ। শেহতীয়াকৈ নাগালেণ্ডৰ ৱালান মহকুমা প্ৰশাসনৰ সীমান্ত দণ্ডাধীশগৰাকীয়ে সীমান্তৰ অসমীয়া বসতিপূৰ্ণ অঞ্চলসমূহত থকা অ'এনজিচিৰ তেল খাদসমূহত উপস্থিত হৈ তেল খাদসমূহ নাগালেণ্ডৰ বুলি প্ৰতিপন্ন কৰিব বিচাৰে। ইয়াকে লৈ এতিয়া সীমান্তত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে।

# গড়গাঁও কলেজত বিক্ৰী-বিপণন বিষয়ক কৰ্মশালা

**ই-সংবাদ, শিৱসাগৰ, ১২ ফেব্ৰুৱাৰীঃ** শিৱসাগৰৰ ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ত প্ৰতিষ্ঠানিক উদ্ভাৱন কোষৰ তত্বাৱধানত থলুৱা উদ্যোগী আৰু 'ষ্টাৰ্টআপ'ৰ বাবে ফলপ্ৰসু বিক্ৰী আৰু বিপণন কৌশলৰ বিষয়ত এখন এদিনীয়া কৰ্মশালাৰ আয়োজন কৰা হয়। উদ্যোগীসকলক বিক্ৰী আৰু বিপণনৰ নিত্য পৰিৱৰ্তিত পৰিৱেশত প্ৰয়োজনীয় দক্ষতা আৰু জ্ঞানেৰে সজ্জিত কৰাৰ উদ্দেশ্যে এই কৰ্মশালাৰ আয়োজন কৰা হৈছিল। কৰ্মশালাত সমল ব্যক্তি ৰূপে উপস্থিত থাকে গড়গাঁও মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ সহকাৰী অধ্যাপক তথা বিক্ৰী আৰু বিপণনৰ ক্ষেত্ৰত বিশেষজ্ঞ শিক্ষাবিদ ড° মিণ্টু গগৈ। ড° গগৈয়ে সফল বিক্ৰী কৌশল গঢ়ি তোলা তথা বৰ্তমানৰ বজাৰৰ ধাৰা বুজি পোৱা আৰু গ্ৰাহকৰ সৈতে ফলপ্ৰসূভাৱে জড়িত হোৱা আদি বিষয়ত নিজৰ অভিমত দাঙি ধৰে। অংশগ্ৰহণকাৰীসকলক বিষয়টোৰ প্ৰতি তেওঁ ব্যৱহাৰিক দৃষ্টিভংগীয়ে চোৱাৰ অৱকাশ আছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায় । গড়গাঁও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড০ সুৰজিৎ শইকীয়াৰ উদ্যোগত সহকাৰী অধ্যাপক ক্ৰমেত্ৰয় গৌতম হাজৰিকা, নীলাক্ষি গগৈ আৰু ড০ নজৰীন পাৰবীন আলীৰ সহযোগত সুকলমে কৰ্মশালাখন সম্পন্ন হয়। আয়োজকসকলে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট শিক্ষাবিদ, নিবন্ধকাৰ ড০ সব্যসাচী মহন্তলৈ বিশেষ ধন্যবাদ জ্ঞাপন কৰে, যাৰ নিৰন্তৰ সহযোগিতা আৰু উৎসাহৰ ফলত অনুষ্ঠানটো সম্ভৱ হৈ উঠে। কৰ্মশালাখনত ছাত্ৰ-ছাত্ৰীৰ উপৰি মহাবিদ্যালয়ৰ কেইবাগৰাকী অধ্যাপকে অংশগ্ৰহণ কৰে। বাণিজ্য বিভাগৰ মুৰব্বী ড০ অনিল তাঁতী, সহকাৰী অধ্যাপিকা নমামী দত্ত, সহযোগী অধ্যাপিকা ড° মেঘালী বৰা আদিয়ে কৰ্মশালাত অংশগ্ৰহণ কৰি আলোচনাক আৰু অধিক সমৃদ্ধ কৰে। কৰ্মশালাখনত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বিক্ৰী আৰু বিপণন কৌশল উন্নত কৰাৰ প্ৰত্যক্ষ সুযোগ লাভ কৰে। এই অনুষ্ঠানটোৱে মহাবিদ্যালয়খনৰ যুৱ মনক ব্যৱহাৰিক দক্ষতাৰে সবলীকৰণৰ প্ৰচেষ্টাৰ লগতে ঔদ্যোগীকৰণৰ পৰিৱেশত গঢ়ি তুলিব বুলি আশা কৰা হৈছে।

# গোলকগঞ্জৰ ছোটোগুমাত ড্ৰাগছসহ সৰবৰাহকাৰী আটক

**ই-সংবাদ, গোলকগঞ্জ, ১২ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত অসম পশ্চিমবংগ সীমান্তৰ ছোটোগুমা আৰক্ষী চকীৰ অন্তৰ্গত নোৱাপাৰাত কালি নিশা ন বজাত গোলকগঞ্জ আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। সীমান্ত অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষী তৎপৰ হৈ থকা সত্বেও অসাধু চক্ৰই অব্যাহত ৰাখিছে ড্ৰাগছৰ বেহা। কালি এক গোপন সূত্ৰৰ আধাৰত গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিত কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযান চলাই গাঁওখনত বাইকসহ এজন সৰবৰাহকাৰীক আটক কৰে। AS-17 N-2838 নম্বৰৰ টিভিএছ আপাচী বাইকখনেৰে সৰবৰাহকাৰীজন ড্ৰাগছ সৰবৰাহ কৰিবলৈ  যোৱাৰ সময়তে আৰক্ষীৰ দলটোৱে আটক কৰে। আটকাধীন যুৱকজন কৈমাৰী প্ৰথম খণ্ড গাঁৱৰ দুলু মণ্ডলৰ পুত্ৰ মিনাৰুল মণ্ডল (২৫)। বাইকখনত চালাচী চলাই আৰক্ষীয়ে প্ৰায় ৮৭ গ্ৰাম ওজনৰ সন্দেহজনক ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰে। ইয়াৰে ১৬ টা কণ্টেইনাৰত ২৭ গ্ৰামৰ বিপৰীতে চাবোনৰ বাকচত প্ৰায় ৬০ গ্ৰাম ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰে। এই লৈ অঞ্চলটোত সৃষ্টি হৈছে চাঞ্চল্যৰ।

# জিজ্ঞাস প্ৰতিভা সন্ধানীত শীৰ্ষ স্থান ছিপাঝাৰৰ ৰাজদীপৰ

**ই-সংবাদ, ছিপাঝাৰ, ১২ ফেব্ৰুৱাৰীঃ** ৰাজ্যখনৰ আগশাৰীৰ শিক্ষা মূলক কাকত জিজ্ঞাসৰ তৰফৰ পৰা প্ৰতি বছৰে অনুষ্ঠিত কৰি অহা প্ৰতিভা সন্ধানী পৰীক্ষাৰ ২০২৪-২৫ বৰ্ষত ষষ্ঠ শ্ৰেণী শাখাত অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰিছে ছিপাঝাৰৰ ৰাজদীপ পৰাশৰে। ইয়াৰ পশ্চিমচুবা গাওঁ নিবাসী পঙ্কজ শৰ্মা আৰু জুৰি দেৱীৰ পুত্ৰ ৰাজদীপে জাতীয় বিদ্যালয়, ছিপাঝাৰৰ পৰা ষষ্ঠ শ্ৰেণীৰ পৰা প্ৰতিভা সন্ধানী পৰীক্ষাটোত অৱতীৰ্ণ হৈছিল। উল্লেখ্য যে, চলিত মাহতে ফলাফল ওলোৱা জাতীয় বিদ্যালয়ৰ বৃত্তি পৰীক্ষাতো ৰাজদীপে অসমৰ ভিতৰত চতুৰ্থ স্থান আৰু দৰং জিলাৰ ভিতৰত প্ৰথম স্থনেৰে বিদ্যালয় আৰু অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছিল।

# চানজাখৌলা বাথৌ আঞ্চলিক সমিতিৰ ৰূপালী জয়ন্তীৰ লাইখুঁটা স্থাপন

**ই-সংবাদ গোৱেশ্বৰ,১২ ফেব্ৰুৱাৰীঃ** গোৱেশ্বৰৰ চানজাখৌলা বাথৌ আঞ্চলিক সমিতিৰ ৰূপালী জয়ন্তী অহা ২১.২২ আৰু ২৩ মাৰ্চত শিমলিবাৰীত অৱস্থিত বৈৰাথী বাথৌ চানচালিত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব । সেয়েহে কালি দিনৰ ১১ বজাত ৰূপালী জয়ন্তী লাইখুটা স্থাপন কৰে বি টি আৰৰ স্থানীয় পাৰিষদ পবিত্ৰ কুমাৰ বড়োৱে। বাথৌ ধৰ্মৰ ৰীতি-নীতিৰে লাইখুঁটা স্থাপন কৰি দিয়া ভাষণত পাৰিষদ পবিত্ৰ কুমাৰ বড়োৱে ৰূপালী জয়ন্তী সাফল্য মণ্ডিত কৰাত পাৰ্যমানে সহায়-সহযোগৰ আশ্বাস দিয়াৰ লগতে বাথৌ ধৰ্ম প্ৰসাৰ আৰু প্ৰচাৰত বিশেষ গুৰুত্ব দি এখন সুস্থ সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত ভূমিকা ল'বলৈ চানজাখৌলা বাথৌ আঞ্চলিক সমিতিক আহবান জনায়। লাইখুঁটা স্থাপন কাৰ্য সমাপন হোৱাৰ পিচতেই প্ৰাৰ্থনা এখন সভা অনুষ্ঠিত হয়। উক্ত আঞ্চলিক সমিতিৰ অন্তৰ্গত কুৰিতকৈও অধিক গাঁৱৰ প্ৰায় দুই শতাধিক বাথৌ ধৰ্মালম্বী পুৰুষ-মহিলাৰ উপস্থিতিত অনুষ্ঠিত প্ৰাৰ্থনা সভাত অতিথি হিচাপে উপস্থিত থাকি এন আৰ ডি এচ



কলেজৰ(গোৱেশ্বৰ) পৰিচালন সঞ্চালক দেৰহাচাত নাৰ্জাৰীয়ে বাথৌ ধৰ্মৰ তত্বৰ বিষয়ে কিছু ব্যাখ্যা আগবঢ়োৱাৰ লগতে চানজাখৌলা বাথৌ আঞ্চলিকৰ ৰূপালী জয়ন্তী সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত সকলোকে আগভাগ ল'বলৈ আহবান জনায়। ঠিক সেইদৰে বাথৌ মহাসভাৰ বাক্সা জিলা সমিতিৰ প্ৰাক্তন সভাপতি কবীন্দ্ৰ বড়োৱেও বাথৌ ধৰ্মৰ বিষয়ে ভাষণ দিয়ে। ইতিমধ্যে উক্ত ৰূপালী জয়ন্তী পৰিচালনা কৰাৰ বাবেই অলপতে অনুষ্ঠিত হোৱা সাধাৰণ সভাত কুলেন্দ্ৰ বড়োক সভাপতি, ভবেন চন্দ্ৰ বড়োক কাৰ্যকৰী সভাপতি, সুনন্দ বসুমতাৰীক উপ-সভাপতি, লংকজ বড়োক সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰাৰ লগতে ৯টা উপ-সমিতি গঠন কৰা হয়। ইফালে চানজাখৌলা বাথৌ আঞ্চলিক সমিতিৰ সম্পাদক গহিন চন্দ্ৰ বড়োৱে জানিবলৈ দিয়ামতে ৰূপালী জয়ন্তী সাফল্য মণ্ডিত কৰাৰ বাবে প্ৰায় ২০ লাখ টকাৰ বাজেট গ্ৰহণ কৰা হৈছে । ৰূপালী জয়ন্তী উপলক্ষে বাথৌ ধৰ্মৰ তত্ব, বড়ো সাহিত্য সংস্কৃতিৰ ওপৰত আলোচনা আদি অনুষ্ঠিত হ'ব । ইয়াৰ উপৰিও প্ৰদৰ্শনী, মেলা আদিও আয়োজন কৰা হৈছে। উক্ত ৰূপালী জয়ন্তীত কেইবাসহাস্ৰাধিক ভক্তপ্ৰাণ লোক সমবেত হ'ব বুলি আয়োজক সমিতিয়ে ধাৰণা কৰিছে।




গান্ধী ময়দানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগ

# মঙলদৈৰ গান্ধী ময়দানত কেন্দ্ৰীয় মহাবীৰ চিলাৰায় দিৱস পালন

**ই-সংবাদ, মঙলদৈ, ১২ ফেব্ৰুৱাৰীঃ** অসমীয়া জাতি গঠন প্ৰক্ৰিয়া ত্বৰাণ্বিত কৰাৰ দিশত যিসকল পুৰোধা ব্যক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে সেইসকলৰ সকলৰ অন্যতম হৈছে বিশ্ব মহাবীৰ চিলাৰায়। - এই মন্তব্য অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াৰ। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত দৰং জিলা প্ৰশাসন, কোচ ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সহযোগত মঙলদৈৰ গান্ধী ময়দানত অনুষ্ঠিত ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱসৰ কেন্দ্ৰীয়ভাৱে আয়োজিত কাৰ্যসূচীত মুখ্য অতিথি হিচাপে প্ৰদান কৰা ভাষণত মন্ত্ৰী বিমল বড়াই এইদৰে কয়। বিশ্ব মহাবীৰ চিলাৰায় এগৰাকী বহুধা বিভক্ত গুণ সম্পন্ন ব্যক্তি আছিল বুলি উল্লেখ কৰি সাংস্কৃতিক মন্ত্ৰী বড়াই কয় যে ভাষা, সাহিত্য, সংস্কৃতি, আধ্যাত্মিকতা আৰু সামাজিক সংস্কাৰৰ দিশত বীৰ চিলাৰায়ে দেখুৱাই যোৱা আদৰ্শ অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। অসমীয়া জাতি সত্তা নিৰ্মাণৰ এগৰাকী প্ৰধান খনিকৰ চিলাৰায়ে দুৰ্জেয় পৰাক্ৰমৰ সমান্তৰালকৈ জ্ঞানৰ গভীৰ সাধনা, কলাৰ চৰ্চা আৰু অতুলনীয় সামৰ্থ্যৰে জাতীয় জীৱনক নতুন পৰিধিৰ ব্যাপ্ত কৰি থৈ যোৱা বুলিও মন্ত্ৰী বড়াই তেওঁৰ ভাষণত কয়। কোচ সাম্ৰাজ্যৰ সোণালী অধ্যায় চিলাৰায়ৰ কৰ্মনিপুণতা আৰু দক্ষতাৰ সোণসেৰীয় জ্যোতিৰে আজিও জ্যোতিস্মান হৈ আছে বুলি মন্তব্য কৰি ইতিহাসৰ এনে এগৰাকী মহান নায়কক জন্মদিৱসত কৃতজ্ঞতাৰে স্মৰণেই হৈছে তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি বুলি ব্যক্ত কৰি মন্ত্ৰী বড়াই এনে এক পূণ্য ব্ৰতেৰে মহাবীৰগৰাকীৰ আদৰ্শৰ চৰ্চা আৰু সাধনা কৰিবলৈ ভাষণত ৰাজ্যবাসীক আহ্বান জনায়। বিশ্ব মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক দিৱসৰ এই অনুষ্ঠানত মন্ত্ৰী বিমল বড়াৰ সৈতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই মহাবীৰ চিলাৰায়ৰ জীৱন দৰ্শনৰ ওপৰত আলোকপাত কৰি বক্তব্য আগবঢ়ায়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ প্ৰদান কৰি মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমলা কান্ত বড়াই বীৰ চিলাৰাইৰ কৰ্ম আৰু সাধানাৰ পৰ্যালোচনা কৰে। সভাত মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাস, ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰণৱ নাৰায়ণ দেৱ, মঙলদৈ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতী সমন্বিতে দৰঙৰ কোচ ৰাজবংশৰ ভূমিপুত্ৰসকল উপস্থিত থাকে। অনুষ্ঠানত মন্ত্ৰী বিমল বৰাই কোচ ৰাজবংশৰ সু-সন্তান, বিশিষ্ট চিকিৎসক, সাহিত্যিক ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱক সম্বৰ্ধনা জনায়।

# মাঘী পূৰ্ণিমা উপলক্ষে বটদ্ৰৱাত অগণন ভক্তৰ সমাগম

**ই-সংবাদ, বেৰেজীয়া, ১২ ফেব্ৰুৱাৰীঃ** সাহিত্য কৃষ্টিৰ বৰভেটি প্ৰতিষ্ঠাৰে জাতীয় জীৱনক নতুন ৰঙেৰে সজাই পৰাই তোলা অসমীয়া জাতিৰ জনক জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি শ্ৰী শ্ৰী বটদ্ৰৱা থান সমগ্ৰ অসম, ভাৰত তথা বিশ্বৰ সনাতনী সাংস্কৃতিক পৰম্পৰাত বিশ্বাসী প্ৰতিগৰাকী ধৰ্মপ্ৰাণ মানুহৰ আস্থা, বিশ্বাস আৰু ভক্তিৰ সেৱাৰ স্থলী । বটদ্ৰৱা থানৰ চৈধ্য প্ৰসংগ, গীত-মাতৰ লগতে ঈশ্বৰ উপাসনাৰ শৃংখলাবদ্ধ পৰিৱেশন শৈলীকে আদি কৰি গুৰুজনাই এই পবিত্ৰ ভূমিভাগত এৰি থৈ যোৱা ঐতিহাসিক স্মৃতি চিহ্ন বিশেষকৈ কীৰ্তনঘৰ, পদশিলা, পাটশিলা, দৌলমন্দিৰ, আকাশী গঙা, শিলিখা বৃক্ষ, চাৰিহাটী আৰু সতীৰাধিকা স্মৃতিক্ষেত্ৰ- শান্তিজান দৰ্শন কৰিবলৈ বিভিন্ন প্ৰান্তৰৰ পৰা দৈনিক হাজাৰৰ অধিক ভক্ত-বৈষ্ণৱ, তীৰ্থযাত্ৰী, দৰ্শনাৰ্থীৰ সমাগম ঘটে । তদ্ৰুপ অসমীয়া জাতিৰ মণিকূট স্বৰূপ এই পবিত্ৰ ভূমি বটদ্ৰৱা থানত বুধবাৰে মাঘী পূৰ্ণিমাৰ পৱিত্ৰ দিনটোত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা অগণন তীৰ্থযাত্ৰীৰ লানি নিচিগা সোঁত বয়। ফলত জাতীয় সাজ পৰিধান কৰি সমবেত হোৱা তীৰ্থযাত্ৰীসকলৰ উপস্থিতিৰে থান প্ৰাংগণত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয় । সকলোয়ে পৰম ভক্তিভাৱেৰে বটদ্ৰৱা থানৰ ঐতিহাসিক দৌলমন্দিৰ আৰু কীৰ্তন ঘৰত চাকি, বন্তি, নৈবদ্য আৰু শৰাই আগবঢ়াই অনাগত দিনবোৰ মংগলময় হোৱাৰ কামনাৰে সেৱা জনায়।

# বিশ্ব ৰেডিঅ' দিৱসৰ প্ৰাক্কক্ষণত মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘৰ চাইকেল ৰেলী

**ই-সংবাদ, বেৰেজীয়া, ১২ ফেব্ৰুৱাৰীঃ** বৃহস্পতিবাৰে অনুষ্ঠিত হ'বলগীয়া বিশ্ব ৰেডিঅ' দিৱসৰ প্ৰাক্ক্ষণত বুধবাৰে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘই এই দিৱসৰ বিষয়ে ৰাইজক জ্ঞাত কৰাৰ মানসেৰে ব্যাপক প্ৰচাৰ চলাইছে। ইয়াৰ অংশহিচাপে শ্ৰোতা সংঘৰ মূখ্য সঞ্চালক কিৰণ চন্দ্ৰ নাথৰ নেতৃত্বত নগাঁও আৰু ৰহা অঞ্চলত চাইকেল ৰেলী আৰু প্ৰচাৰ পত্ৰ বিতৰণেৰে দোকান-পোহাৰ, ৰাজহুৱা স্থানত প্ৰচাৰ কাৰ্য চলায়। একেদৰে শ্ৰোতা সংঘৰ সঞ্চালক ৰাহুল দেৱ বৰদলৈয়েও জিলাখনৰ পশ্চিমাঞ্চলৰ জাজৰি, হাতীচোং, বটদ্ৰৱা অঞ্চলত একেদৰে প্ৰচাৰ কাৰ্য চলোৱাৰ সমান্তৰালভাৱে কলিয়াবৰ আৰু নগাঁও চহৰত চাইকেল ৰেলীৰে প্ৰচাৰ কাৰ্যত ভাগ লয় মণ্টু বৰাই। ঠিক সেইদৰে শ্ৰোতা সংঘৰ সঞ্চালক তথা আকাশবাণী নগাঁও কেন্দ্ৰৰ ঘোষক কিৰণ চন্দ্ৰ নাথে আকাশবাণীত প্ৰচাৰৰ বাবেও বাৰ্তা সমূহ বানীবদ্ধ কৰে। ইফালে, ১৩ ফেব্ৰুৱাৰীত ৰূপহী মহাবিদ্যালয়ত বিস্তৃত কাৰ্যসূচীৰে শ্ৰোতা সংঘই বিশ্ব ৰেডিঅ' দিৱস উদযাপনৰ দিহা কৰিছে। ইয়াৰ কাৰ্যসূচী হিচাপে চাইকেল ৰেলী, বৃক্ষ ৰোপন, থিতাতে লিখা ৰচনা প্ৰতিযোগিতা, মনোজ্ঞ আলোচনাচক্ৰ, অন্তৰংগ অনুষ্ঠান, গীত-মাত পৰিবেশন আৰু ৰেডিঅ' বিতৰণ কাৰ্যসূচী অন্যতম। এই অনুষ্ঠানতে ২০২৫ বৰ্ষৰ লোকশিল্পী বঁটা প্ৰদান কৰা হব বিশিষ্ট শিল্পী মিলেশ্বৰ ডেকাক। এই অনুষ্ঠানলৈ সকলো শ্ৰোতা প্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে শ্ৰোতা সংঘৰ মূখ্য সঞ্চালক আৰু সঞ্চালকে।

# চলাপথাৰ শ্যাম গাঁৱত পালন 'মাই কৌ চুম ফাই' উৎসৱ

**ই-সংবাদ, মথুৰাপুৰ, ১২ ফেব্ৰুৱাৰীঃ** চৰাইদেউ জিলাৰ চলাপথাৰ শ্যাম গাঁৱৰ টাই খাময়াংসকলে মঙলবাৰে সন্ধিয়া 'মাই কৌ চুম ফাই' উৎসৱ পালন কৰে। মাই কৌ চুম ফাই তাই বৌদ্ধ আৰু চিংফৌসকলৰ অন্যতম গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ উৎসৱ। এই উপলক্ষে সন্ধিয়া কাঠৰ মেজি নিৰ্মাণ কৰি আৰু ধৰ্মীয় পঞ্চশীল গ্ৰহণ কৰি মেজি জ্বলোৱা হয়। এই উৎসৱক টাই বৌদ্ধসকলে তথাগত বুদ্ধৰ আয়ুস ক্ষয়ৰ দিন বুলি বিশ্বাস কৰি আহিছে। উল্লেখ্য যে বহাগী পূৰ্ণিমাত যে নিজৰ মৃত্যু ঘটিব সেই কথা বুদ্ধই নিজেই মাঘী পূৰ্ণিমাৰ দিনাই শিষ্য বৰ্গক ব্যক্ত কৰিছিল। বৌদ্ধ গ্ৰন্থত উল্লেখ থকা উক্ত ঘটনাৰ আলম লৈয়েই সমগ্ৰ দক্ষিণ পূব এচিয়াৰ টাই বৌদ্ধসকলে এই উৎসৱ পালন কৰি আহিছে। টাই ভাষাত 'মাই' মানে খৰি 'কৌ' মানে জাপি দিয়া, 'চুম' মানে সংযোগ কৰা আৰু 'ফাই' মানে জুই। দ্বিতীয় দিনা পুৱা বিশেষ খাদ্য "খা যা কু" প্ৰস্তুত কৰি আপ্যায়ন কৰা হয়। টাই বৌদ্ধসকলৰ বিশ্বাস অনুসৰি চাউল আৰু বিভিন্ন ধৰণৰ ঘৰুৱা আৰু বনৰীয়া শাক পাতৰ সংমিশ্ৰনেৰে প্ৰস্তুত কৰা "খাও যা কু" খালে মানুহ নিৰোগী হৈ থাকে। সমগ্ৰ দক্ষিণ পূব এচিয়াৰ টাই বৌদ্ধসকলে এই উৎসৱ পালন কৰাৰ উপৰি অসমত আৰু অৰুণাচলত বাস কৰা টাই খাময়াং, টাই ফাকে, টাই আইতন, টাই তুৰুং, টাই খামটিসকলৰ লগতে চিংফৌসকলেও এই উৎসৱ পালন কৰে। আজি চলাপথাৰ শ্যাম গাঁৱৰ বৌদ্ধ বিহাৰত "খাম চিন থম ট্ৰা" কৰি এই উৎসৱ সামৰণি মৰা হয়।

# উপৰহালীত চিলাৰায় দিৱস উদযাপন

**ই-সংবাদ, মিৰ্জা, ১২ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী বিধানসভা সমষ্টিৰ উপৰহালীত আজি ১২ ফেব্ৰুৱাৰী বুধবাৰে ভাৰতীয় জনতা পাৰ্টিৰ দক্ষিণ কামৰূপ জিলা আৰু দক্ষিণ কামৰূপ জিলা আক্ৰাছুৰ উদ্যোগত ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উপৰহালীৰ চিলাৰায় ভৱনত উলহ-মালহেৰে উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত পতাকা উত্তোলন কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই আৰু আক্ৰাছুৰ দক্ষিণ কামৰূপৰ জিলা সভাপতি বিমল দাসে। মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত মাল্যবৰণ কৰে ভাৰতীয় জনতা পাৰ্টিৰ দক্ষিণ কামৰূপৰ সভাপতি অঞ্জন গোস্বামী, স্থানীয় বিধায়ক হেমাংগ ঠাকুৰীয়া আৰু হিতেশ ঠাকুৰীয়াৰ লগতে উপস্থিত ৰাইজ তথা অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তিসকলে। সভাত উপস্থিত থাকে দক্ষিণ কামৰূপ জিলা প্ৰভাৰী অনিৰ্বাণ গোস্বামী, বিশিষ্ট সমাজ কৰ্মী অনুপ মেধি। উল্লেখ্য যে দীৰ্ঘদিন ধৰি কোঁচ ৰাজবংশীসকলে জনজাতিকৰণ দাবী কৰি আহিছে কিন্তু তেওঁলোকৰ দাবী আজিলৈকে পূৰণ নহল। পোন্ধৰ বছৰীয়া নৰেন্দ্ৰ মোদীৰ কেন্দ্ৰীয় চৰকাৰে কোঁচ ৰাজবংশী সকলক জনজাতিকৰণৰ নামত ভেঞ্চুচালি কৰি থকাৰ অভিযোগ উত্থাপন কৰে অনুষ্ঠানত উপস্থিত ৰাইজ তথা সচেতন মহলে। এফালে বিশালভাৱে প্ৰত্যেক বছৰে মহাবীৰ চিলাৰায়ৰ নামত ৰাজকীয় সভা পাতি দিৱস উদযাপন কৰে আৰু আনফালে কোঁচ ৰাজবংশীসকলৰ জনজাতিকৰণ দাবী পূৰণ নকৰে বুলি ৰাইজে মন্তব্য কৰে।

# ছিপাঝাৰৰ বিহুভাঙাত পুৰোহিতৰ মৃত্যু

**ই-সংবাদ, দুমুনিচকী, ১২ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঘোপা গাঁৱৰ বিহুভাঙাৰ বৰ্ষীয়ান পুৰোহিত প্ৰফুল্ল ভট্টাচাৰ্যই যোৱা নিশা নিজ বাসভৱনত ৭৫ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। কিছুদিন ধৰি হাওঁফাওঁ জনিত ৰোগত আক্ৰান্ত হৈ আছিল পুৰোহিতগৰাকী। পুৰোহিত গৰাকীয়ে পয়ত্ৰিশ বছৰ ধৰি পুৰোহিত আৰু জ্যোতিৰ্বিদ্যাৰ সৈতে জড়িত হৈ আছিল। তেওঁৰ মৃত্যুত স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে গুৱাহাটীৰ কামাখ্যা গেট, কালিপুৰ অঞ্চলৰ বিভিন্ন লোকে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুই পুত্ৰ, জী-জোঁৱাই, একমাত্ৰ নাতিৰ লগতে অনেক আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

# ডিব্ৰুগড়ত আক্ৰাছু আৰু বিজেপিৰ উদ্যোগত চিলাৰায় দিৱস উদযাপন

**ই-সংবাদ, ডিব্ৰুগড়, ১২ ফেব্ৰুৱাৰীঃ** সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু ভাৰতীয় জনতা পাটিৰ ডিব্ৰুগড় জিলা সমিতিৰ যৌথ উদ্যোগত ডিব্ৰুগড়ৰ চৌকিডিংগী খেলপথাৰত বিশ্ব বৰেণ্য মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখ্যক চিলাৰায় দিৱস আজি উদযাপন কৰা হয়। দিৱসৰ লগত সংগতি ৰাখি কবি-সাহিত্যিক বিজু শৰ্মাক বীৰ-চিলাৰায় বঁটা প্ৰদান কৰা হয়। ভাৰত বিজয়ৰ সপোন দেখা বীৰ চিলাৰায়ৰ স্মৃতিয়ে জাতীয় জীৱনক উদ্যমী আৰু অগ্ৰগামী কৰি ৰাখিবৰ বাবে প্ৰতি বছৰেই চিলাৰায় দিৱস অসমবাসীয়ে উদযাপন কৰি আহিছে। প্ৰতি বছৰৰ দৰে এইবাৰো সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা চমুকৈ আক্ৰাছু আৰু ভাৰতীয় জনতা পাৰ্টি ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত লগতে ডিব্ৰুগড়বাসী ৰাইজৰ সহযোগত বীৰ শুক্লধ্বজ ক্ষেত্ৰত দুদিনীয়া কাৰ্যসূচীৰে চিলাৰায় দিৱস উদযাপন কৰা হয়। দ্বিতীয় দিনা কাৰ্যসূচী অনুসৰি চিলাৰায়ৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ আৰু সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে অনুষ্ঠিত হয় মুকলি সভা। মকুলি সভাখন উদ্বোধন কৰে অসম আদিত্য কাকতৰ সম্পাদক মনজিৎ বৰাই। সভাত লাহোৱালৰ বিধায়ক বিনোদ হাজৰিকা, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁই, ডিব্ৰুগড় নগৰ উন্নয়ন প্ৰাধিকৰণ অধ্যক্ষ অসীম হাজৰিকা প্ৰমুখ্য কৰি বহকেইগৰাকী গণ্য মান্য ব্যক্তি উপস্থিত থাকে। সভাত চিলাৰায় দিৱসৰ লগত সংগতি ৰাখি প্ৰশান্ত শইকীয়াৰ সম্পাদনাত প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ "কমতা" উন্মোচন কৰে সন্মানীয় অতিথি ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোঁহায়ে। আনহাতে, সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই বীৰজনাৰ দিৱসত শিক্ষা, সাহিত্য-সংস্কৃতিৰ দিশত সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা জিলাখনৰ বিশিষ্ট ব্যক্তিক প্ৰতি বছৰে একোটিকৈ চিলাৰায় বঁটা প্ৰদান কৰি অহা হৈছে। চিলাৰায় দিৱসৰ কাৰ্যসূচীৰ মুকলি সভাত বিশিষ্ট কবি বিজু শৰ্মাক মৰাণ মহাবিদ্যালয়ৰ অধ্যাপক ড০ ৰাজীৱ হাজৰিকাৰ পিতৃ সাংস্কৃতিক কৰ্মী প্ৰয়াত শুভেশ্বৰ হাজৰিকাৰ স্মৃতিত এই বটাঁ প্ৰদান কৰা হয়।



# নগাঁও জিলাৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলক মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰ প্ৰদান অনুষ্ঠান সম্পন্ন



**ই-সংবাদ, পুৰণিগুদাম, ১২ ফেব্ৰুৱাৰীঃ** নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলাখনৰ চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলক মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাৰ শুভেচ্ছামূলক উপহাৰ প্ৰদান অনুষ্ঠানটি অনুষ্ঠিত হৈ যায়। জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ অধ্যক্ষতাত অনুষ্ঠিত এই অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে জিলা তথ্য আৰু জনসংযোগ বিষয়া মন্দিৰা চায়েঙীয়াই। সভাত জিলা আয়ুক্তগৰাকীয়ে গণতন্ত্ৰৰ চতুৰ্থস্তম্ভ স্বৰূপ সংবাদকৰ্মীসকলক সমাজ তথা দেশৰ উন্নতিৰ বাবে তেওঁলোকৰ কৰ্মনিষ্ঠাৰে আগবঢ়োৱা অৱদানৰ শলাগ লয় আৰু লগতে জিলা প্ৰশাসনৰ প্ৰতিটো চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ আৰু সম্পূৰ্ণ সহায়-সহযোগিতাৰ আগবঢ়োৱা বাবে ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানটিত জিলাখনৰ কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিকে সাংবাদিকৰ জীৱন বীমা আৰু বৰ্তমান সময়ত প'ৰ্টেল সাংবাদিকতাৰ ভয়াৱহতা সম্পৰ্কে নিজৰ অভিমত প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত জিলাখনৰ ৮৮ গৰাকী বিভিন্ন প্ৰেছ ক্লাবৰ অন্তৰ্গত চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত সাংবাদিকক জিলা আয়ুক্তই মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰৰ টোপোলা প্ৰদান কৰে। আজিৰ সভাত সহকাৰী আয়ুক্ত (প্ৰচাৰ) বিদ্যাশ্ৰী লাংথাচা, জিলা তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী লক্ষ্যধৰ কলিতা, প্ৰাণজিত ভূঞাকে প্ৰমুখ্য কৰি সকলো কৰ্মচাৰী উপস্থিত থাকে।

# বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰত সজাগতা সভা

**ই-সংবাদ, শিমলীতোলা, ১২ ফেব্ৰুৱাৰীঃ** আজি বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰত দিনৰ ১ বজাৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা সম্পৰ্কত এখনি সজাগতা সভা অনুষ্ঠিত হয়। বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰ পৰিচালনা কমিটীৰ সভাপতি হাকিম উদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত কেন্দ্ৰটোৰ তত্বাৱধায়ক তথা বাঘমাৰা চৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক খলিলুৰ ৰহমানে পৰীক্ষাৰ নীতি-নিৰ্দেশনা সম্পৰ্কে বক্তব্য আগবঢ়ায়। বাঘমাৰা চৰ ছিঃ ছেঃ স্কুলৰ অধ্যক্ষ তাইজুদ্দিন সৰকাৰ, বিশিষ্ট মুৰব্বী জলাল মণ্ডল, খলিলুৰ ৰহমান, আব্দুল বাৰিক, এম মুছুৰুদ্দিন আহমেদ, ফজল হক চৌধুৰী, শিক্ষক জংসেৰ আলী, আব্দুল বাৰিক মণ্ডল, বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ উপ-সভাপতি জাহাংগীৰ হুছাইন, সম্পাদক ৰফিকুল ইছলাম, বাঘমাৰা চৰ আঞ্চলিক আমছুৰ সভাপতি আবুল কালাম আজাদৰ লগতে ভালেসংখ্যক শিক্ষাবিদ তথা সমাজ সচেতক ব্যক্তি, ফিডাৰ স্কুলৰ প্ৰধান শিক্ষকসকলৰ লগতে পৰীক্ষা কেন্দ্ৰ এলাকাধীন বিভিন্ন সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকি পৰীক্ষা কেন্দ্ৰটো সুচাৰুৰূপে পৰিচালনাৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

# চতিয়াৰ সুলভ মূল্যৰ দোকানীক ব্লেক মেইলিং বহিঃ ৰাজ্যৰ দুষ্ট চক্ৰৰ

**ই-সংবাদ, চতিয়া, ১২ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অনুমোদিত সুলভ মূল্যৰ দোকানীক ব্লেক মেইলিং কৰি ধন ঘটাৰ চেষ্টা চলাইছে এটা বহিঃ ৰাজ্যৰ বৃহৎ চক্ৰই। ১নং চতিয়া সমবায় সমিতিৰ একাংশ সুলভ মূল্যৰ দোকানীলৈ 9779788497 ফোন নম্বৰটোৰ পৰা বিভাগীয় বিষয়া বুলি চিনাকি দি কোৱা হৈছে যে আপোনাৰ দোকানৰ ওপৰত অভিযোগ আহিছে লগতে ই-পোষ্ট মেচিনৰ জৰিয়তে আমি জানিব পাৰিছো আপুনি দোকান বন্ধ ৰাখে। ৰাইজে খাদ্য সামগ্ৰী সময়মতে নাপায়। বহুত মানুহক সামগ্ৰী নিদিয়ে আদি কথা কৈ লাইচেন্স বাতিলৰ ভাবুকি দি ৬ হেজাৰৰ পৰা ৯ হাজাৰ টকা দাবী কৰে। এই ঘটনাৰ পিছত সুলভ মূল্যৰ দোকানীসকলে বিশ্বনাথ জিলাৰ যোগান বিভাগক অৱগত কৰাৰ পিছত যোগান বিভাগে স্পষ্ট কৰিছে এই কাম কোনো দুষ্ট চক্ৰৰ। এই ধৰণে অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে গুৱাহাটীৰ পৰা ফোন কৰাটো সম্ভৱ নহয় আৰু বিভাগীয় নিৰ্দেশনা থাকিলে জিলাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগলৈ আহিব বুলি বিভাগে জনায়। অসম চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ বিভাগৰ নাম লৈ ব্লেক মেইলিঙৰ জাল পেলোৱাটো আশ্চৰ্যজনক। চতিয়াতে নহয় সমগ্ৰ অসমৰ বিভিন্ন প্ৰান্তৰ সুলভ মূল্যৰ দোকানীক এইদৰে ভয়-ভাবুকিৰে ধন ঘটিছে এই চক্ৰটোৱে।

# বছৰ বছৰ ধৰি পৰিত্যক্ত অৱস্থাত নাওঁপোটাজান পানী দুৱাৰ আঁচনি

## ক্ষুব্ধ স্থানীয় ৰাইজ

**ই-সংবাদ, পশ্চিম দৰং, ১২ ফেব্ৰুৱাৰীঃ** মঙলদৈ জলসম্পদ বিভাগে দৰঙৰ পশ্চিম দৰং অঞ্চলৰ দুৰদুৰীয়াৰ সমীপত দিমীলা নদীৰ পূব প্ৰান্তৰ মথাউৰিত কৃষিজীৱী ৰাইজৰ উপকাৰৰ হকে নব্বৈ দশকতে ২৭ লক্ষ টকা ব্যয়ৰে এখন পানী দুৱাৰ আঁচনি মঙলদৈ জলসম্পদ বিভাগে নিৰ্মাণ কৰিছিল। আঁচনিখনৰ জৰিয়তে নাওপোটা, দুৰদুৰীয়া, বগাচলা, গোপালপুৰ, বাঘমাৰা, কেন্দুগুৰি, লাউজান, চমুখাকে ধৰি দহ-বাৰখন গাঁৱৰ দ-খেতিপথাৰত জমা হোৱা পানীভাগ উলিয়াই দিমীলা নদীত পেলাই দিয়াটো আছিল প্ৰধান লক্ষ্য। অগপ চৰকাৰৰ দিনত সেই সময়ৰ তদানীন্তন ছিপাঝাৰৰ বিধায়ক ডাঃ জয়নাথ শৰ্মাৰ তৎপৰতাত জলসম্পদ বিভাগে আঁচনিখন নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল। পিছে আঁসোৱাহপূৰ্ণ আঁচনিৰ কাম দেখি কৃষক ৰাইজৰ চকু কপালত উঠে। কিয়নো আঁচনিখন নিৰ্মাণত খেতিপথাৰৰ পৰা তিনি-চাৰিফুট ওখকৈ নিৰ্মাণ কৰাত দ-খেতিপথাৰৰ আৱদ্ধ পানীভাগ আঁচনিৰে ওলাই যাব নোৱাৰে। যাৰ বাবে তৰিৎবেগে ৰাইজে বিভাগক বিষয়টো অৱগত কৰিছিল। পিছে বিভাগে ৰাইজৰ তেনে আবেদন, অনুৰোধক তিলমানো গুৰুত্ব নিদি আঁচনিৰ কাম শেষ কৰি গুচি যায়। যাৰ বাবে বিভাগৰ কু-ফল অঞ্চলটোৰ ৰাইজে বছৰৰ পিছত বছৰ ধৰি ভোগ কৰি আহিবলগীয়া হৈছে। বিগত সময়ত আঁচনিখন কাৰ্যক্ষম কৰি তোলাৰ আশাৰে বিভাগৰ লগতে জনপ্ৰতিনিধিৰ ওচৰত অনুৰোধ, আবেদন কৰিও কোনো সুফল পাবলৈ সক্ষম নোহোৱাত তেনে আশা বাদ দিয়াৰ বাহিৰে ৰাইজৰ গত্যন্তৰ নোহোৱা হৈ পৰিছে। ইফালে বছৰ বছৰ ধৰি দিমীলা নদীৰ ওভতনি পানীয়ে অঞ্চলটোৰ দ-খেতিপথাৰ বাৰিষা সময়ত সাগৰ সদৃশভাৱে বুৰাই ৰখাত সুদীৰ্ঘ দিন ধৰি তথা প্ৰতিটো বছৰে ৰাইজ শালিধানৰ খেতিৰ পৰা বঞ্চিত হৈ আহিছে। যাৰ ফলত ইয়াৰ কৃষক ৰাইজ অদূৰ ভৱিষ্যতে দুৰ্ভিক্ষৰ কবলত পৰাৰ শংকা প্ৰকাশ কৰিছে। নিৰ্বাচনৰ সময়ত ৰাজনৈতিক নেতা, পালিনেতাসকল ঠাইখনলৈ গৈ হোজা কৃষিজীৱী ৰাইজক চলাহী কথাৰে আঁচনিখন মেৰামতি কৰা হ'ব বুলি আশ্বাস দি ভোট আদায় কৰাৰ পিছত ৰাইজলৈ পিঠি দিয়ে। ইফালে, বৰ্তমানৰ বিধায়কগৰাকীৰ কাৰ্যকাল এটা বছৰ থকাৰ পিছত ৰাইজে বিধায়কগৰাকীৰ কৃপা দৃষ্টি কামনা কৰিছে।

# কলগাছিয়াৰ ধৰ্মপুৰত ভুল চিকিৎসাৰ বাবে শিক্ষকৰ মৃত্যু হোৱাৰ অভিযোগ

**ই-সংবাদ, কলগাছিয়া, ১২ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ সৰভোগ আৰক্ষী থানাৰ অন্তৰ্গত ধৰ্মপুৰ গাঁৱৰ এগৰাকী শিক্ষকৰ ভুল চিকিৎসাৰ বাবে মৃত্যু হোৱাক কেন্দ্ৰ কৰি অঞ্চলজুৰি এক চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, ধৰ্মপুৰ গাঁৱৰ ইন্দ্ৰ মোহন দাস নামৰ এজন অৱসৰপ্ৰাপ্ত শিক্ষক গুৱাহাটী মাৰোৱাৰী চিকিৎসালয়ত কিডনীৰ বেমাৰৰ চিকিৎসা কৰাবলৈ গৈছিল। চিকিৎসকে কিডনীত পাথৰ হোৱা বুলি জানিবলৈ দিয়ে। পিছত কিডনীৰ অস্ত্ৰপচাৰৰ সময়তে কিডনী উলিয়াই অনাৰ অভিযোগ উত্থাপন কৰে ইন্দ্ৰ মোহন দাসৰ পত্নী আৰু আত্মীয়ই। কিডনীত পাথৰ হোৱাৰ বাবে মাৰোৱাৰী হাস্পতালৰ চিকিৎসকদ্বয় মোহিত খাকলিয়া আৰু ৰমেন বৈশ্যই কিডনী কাটি পেলাই দিয়াৰ বাবে অভিভাৱকক হেঁচা প্ৰয়োগ কৰাৰ অভিযোগ অভিভাৱকৰ। সেয়ে অসমত শাসনাধিষ্ঠিত বিজেপি চৰকাৰৰ প্ৰভাৱশালী মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত ন্যায় বিচাৰি কাতৰ আহ্বান জনাইছে ভুক্তভোগী পৰিয়ালটোৱে।






## গুৱাহাটী প্ৰেছ ক্লাৱত গাম্ভীৰ্যপূৰ্ণ বটাঁ প্ৰদান অনুষ্ঠান

# প্ৰয়াত পৱন কুমাৰ নাথৰ স্মৃতিত কিৰণ বড়োলৈ ২০২৫বৰ্ষৰ ‘যুৱ ব্যৱসায়ী বটাঁ’

**ই-সংবাদ, গুৱাহাটী, ১২ ফেব্ৰুৱাৰীঃ** প্ৰতিবছৰৰ দৰে এইবাৰো সৃষ্টি ইন্টাৰনেটেল ছচাইটিয়ে ৰাজ্যৰ বিশিষ্ট ক্ৰীড়াবিদ তথা উদ্যোগপতি প্ৰয়াত পৱন কুমাৰ নাথৰ ওপজা দিনটোত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰদান কৰে 'যুৱ ব্যৱসায়ী বটাঁ'। গুৱাহাটী প্ৰেছ ক্লাৱত অনুষ্ঠিত হোৱা এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ২০২৫বৰ্ষৰ যুৱ ব্যৱসায়ী বটাঁ আগবঢ়োৱা হয় হস্ততাঁত, বস্ত্ৰ উদ্যোগী তথা ফেশ্বন ডিজাইনাৰ শ্ৰীমতী কিৰণ বড়োলৈ। দিনৰ ১১বজাৰ পৰা আৰম্ভ হোৱা এই অনুষ্ঠানটি বিশিষ্টা কণ্ঠশিল্পী ড০ মৌচুমী চহৰীয়াৰ এটি বৈদিক শ্লোকেৰে শুভাৰম্ভণি কৰে । আনুষ্ঠানটি আঁত ধৰি আগুৱাই নিয়ে জনপ্ৰিয় ঘোষিকা মনালিছা দাসে । বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্টা ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্য, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভূষণ চৌধুৰী, বিশিষ্ট সাংবাদিক দেৱজিত ভূঞা, গৌতম শৰ্মাৰ লগতে তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিৰীক্ষক বীৰেন দাস। আটাইকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে এই বৰ্ষ বটাঁপ্ৰাপক কিৰণ বড়োক বটাঁ প্ৰদান কৰি তেখেতৰ উত্তৰোত্তৰ কামনাঁ কৰাৰ লগতে অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানটিত সৃষ্টি ইন্টাৰনেটেল ছচাইটি আৰু পৰিয়ালবৰ্গৰ হৈ মীনাক্ষী নাথ চহৰীয়াই উপস্থিত সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে প্ৰয়াত পৱন কুমাৰ নাথৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ তেওঁলোকে গ্ৰহণ কৰা বিভিন্ন প্ৰদক্ষেপৰ কথা ব্যক্ত কৰে। অনুষ্ঠাটিত বিশিষ্টা ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যই কয় যে, এনে অনুষ্ঠান তথা বটাঁই সমাজৰ যুৱ ব্যৱসায়ীসকলক সাহস প্ৰদান কৰাৰ লগতে দায়ৱদ্ধতাও বৃদ্ধি কৰাত সহায় কৰে। অন্য ক্ষেত্ৰৰ সমান্তৰালভাৱে যাতে ব্যৱসায়িক ক্ষেত্ৰখনত কাম কৰি থকা সকলেও উচিত স্বীকৃতি পায়, তাৰ বাবে সৃষ্টি ইন্টাৰনেটেল ছচাইটিৰ প্ৰদক্ষেপৰ শলাগ লয় সাহিত্যিকগৰাকীয়ে। আনহাতে অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভূষণ চৌধুৰীয়ে তেওঁ আৰু পৱন কুমাৰ নাথৰ সম্পৰ্কৰ কথা সুঁৱৰি আৱেগিক হৈ পৰে। সহপাঠী পৱন কুমাৰ নাথৰ ব্যক্তিত্বৰ সন্দৰ্ভতো নিজৰ ব্যক্তব্যত উল্লেখ কৰি নষ্টালজিক হৈ পৰে চৌধুৰী। অনুষ্ঠানটিত উপস্থিত থকা বিশিষ্ট সাংবাদিক দেৱজিত ভূঞাইও পৰিয়ালটোৰ এই প্ৰদক্ষেপক উচ্চ প্ৰশংসা কৰাৰ লগতে ইয়াৰ আৰু অধিক প্ৰসাৰতা কামনা কৰে। উল্লেখ কৰা প্ৰয়োজন যে, ২০২০চনৰ পৰাই প্ৰতিবছৰে সৃষ্টি ইন্টাৰনেটেল ছচাইটিয়ে প্ৰদান কৰি আহিছে এই যুৱ ব্যৱসায়ী বটাঁ। ব্যৱসায়িক ক্ষেত্ৰখনত প্ৰয়াত পৱন কুমাৰ নাথৰ চিন্তা আৰু সপোনক জীয়াই ৰখাৰ মানসেৰে পৰিয়ালবৰ্গই এই অনুষ্ঠানটি প্ৰতিবছৰে আয়োজন কৰাৰ কথা জানিবলৈ দিয়ে।

# পৰ্বতঝোৰাৰ মা মহামায়া স্নানঘাট মন্দিৰত ৩০সংখ্যক তিনিদিনীয়া শক্তি যজ্ঞানুষ্ঠানৰ সামৰণি

**ই-সংবাদ, পৰ্বতঝোৰা, ১২ ফেব্ৰুৱাৰীঃ** পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত খোৰাঘাটত থকা মা মহামায়া স্নানঘাট মন্দিৰত বিশ্ব শান্তিৰ বাবে তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ৩০সংখ্যক বাৰ্ষিক শক্তি যজ্ঞানুষ্ঠান আজি দহ সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত যজ্ঞৰ পূৰ্ণাহুতিৰ জৰিয়তে সমাপ্ত হয়। উল্লেখ্য যে যোৱা ১০ ফ্ৰেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা এই শক্তি যজ্ঞানুষ্ঠানৰ প্ৰথম দিনা ধৰ্মীয় আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা জৰিয়তে শুভাৰম্ভণি হয়। সিদিনা পুৱা পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বগৰীবাৰী থকা ঐতিহাসিক ২৫ হাত কালী মন্দিৰৰ পৰা ধৰ্মীয় আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই ১৭নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰ গৈ পদব্ৰজে গৈ সাত কিঃ মিঃ নিলিগত থকা ঐতিহাসিক মা মহামায়া স্নানঘাট মন্দিৰৰ কাষেতে থকা টিপকাই নৈৰ কাষতে উপস্থিত হয়। পিছত ভক্তসকলে ধৰ্মীয় ৰীতি-নীতি মতে টিপকাই নৈৰ পৰা পানী তুলি যজ্ঞস্থলীলৈ আহে। পিছত বিজ্ঞ পুৰোহিতসকলে বৈদিক মন্ত্ৰ উচ্চাৰণৰ যোগেদি সূৰ্যৰ ৰশ্মিৰ পৰা অগ্নি আৰোহণ কৰি ব্যাপক উৰুলি আৰু জয় ধ্বনিৰ জৰিয়তে যজ্ঞ কুণ্ডত অগ্নি সংযোগ কৰে। পিছত ব্ৰাহ্মণ পুৰোহিতসকলে বৈদিক মন্ত্ৰ উচ্চাৰণৰ যোগেদি যজ্ঞৰ উপাদান ক্ৰমে নাৰিকল, ঘিউ, তিল আদি যজ্ঞস্থলীত ঢালি দি প্ৰজ্বলিত কৰে আৰু তিনিদিন ধৰি দিনে নিশাই এই যজ্ঞকুণ্ড জ্বলি থাকে। মন কৰিবলগীয়া যে টিপকাইৰ দাঁতিতে লাগি থকা ঐতিহাসিক মা মহামায়া পাহাৰত প্ৰতি বছৰৰ দৰে এইবেলিও ১১ ফেব্ৰুৱাৰীত পুৱা ৮ বজাৰ পৰা দ্বিতীয় দিনাৰ শক্তিযজ্ঞানুষ্ঠান আৰু বিশ্ব শান্তিৰ বাবে পুৱা ৮ বজাৰ পৰা দ্বিতীয় দিনাৰ শক্তিযজ্ঞানুষ্ঠান আৰু বিশ্ব শান্তিৰ বাবে বিশেষ পূজা অনুষ্ঠিত হয়। পুৱা ৯ বজাৰ পৰা বাথৌ পূজা অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, আজি বিশ্ব শান্তিৰ বাবে যজ্ঞানুষ্ঠান আৰু এক বজাত যজ্ঞৰ পূৰ্ণাহুতিৰ জৰিয়তে বিশ্ব শান্তিৰ বাবে আয়োজিত এই শক্তি যজ্ঞ সমাপ্ত হয়। এই উপলক্ষে আজি এই শক্তি যজ্ঞৰ পূৰ্ণাহুতিৰ আশিস লোৱাৰ লগতে মাঘী পূৰ্ণিমা উপলক্ষে বিভিন্ন ঠাইৰ পৰা হাজাৰ হাজাৰ ভক্তৰ সমাগম হয়। এই শক্তিযজ্ঞ পৰিচালনাৰ বাবে সত্যম দাসক সভাপতি, মানিক চান্দ জৈনক কাৰ্যকৰী সভাপতি, বিজয় কুমাৰ অধিকাৰীক সম্পাদক হিচাপে লৈ এক শাক্তিশালী কমিটি গঠন কৰা হয়। উল্লেখ্য যে, চাৰিশ বছৰ পূৰ্বে পৰ্বতজোৱাৰ ষ্টেটৰ জমিদাৰ হাতিবৰ চৌধুৰীৰ দিনতে মহামায়া পাহাৰত মা মহামায়াৰ অবিৰ্ভাৱ হৈছিল বুলি ৰাইজৰ মাজত প্ৰবাদ আছে। কিন্তু ১৯৯৩ চনত গুৱাহাটীৰ পৰা অহা সাধক প্ৰয়াত অমৰেন্দ্ৰ বৰদলৈয়ে মাহামায়াৰ স্বপ্নাদেশ লাভ কৰি পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত খোৰাঘাটত থকা মহামায়া স্নানঘাট মন্দিৰত উপস্থিতি হৈ স্নানঘাটৰ দীৰ্ঘেশ্বৰ দেৱীৰ পূজা আৰম্ভ কৰে। সাধক অমৰেন্দ্ৰ বৰদলৈৰ তত্ত্বাবধানত আৰু অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত বিশ্ব শান্তিৰ বাবে শক্তি যজ্ঞানুষ্ঠান প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়।

## বৰপেটাৰোড মহাবীৰ চিলাৰায়ৰ দিৱস পালন

**ই-সংবাদ, বৰপেটাৰোড, ১২ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে বৰপেটাৰোডতো দিনজোৰা কাৰ্যসূচীৰে ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন কৰা হয়। সদৌ বৰপেটা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা, কোচ ৰাজবংশী মহিলা সমিতি, চিলাৰায় সেনাৰ উদ্যোগত আৰু বাঁহবাৰী-গুৱাগাছা আঞ্চলিক কোচৰাজবংশী ছাত্ৰ সন্থা, ৰাইজৰ সহযোগত বৰপেটাৰোডত ৫১৫ সংখ্যক বিশ্ব মহাবীৰ চিলাৰায় দিৱস উদযাপন কৰা হয়। বৰপেটাৰোডৰ গুৱাগাছা আঞ্চলিক কোচৰাজবংশী ছাত্ৰ সন্থা কাৰ্যালয় প্ৰাংগণত বাঁহবাৰী-গুৱাগাছা আঞ্চলিক কোচৰাজবংশী ছাত্ৰ সন্থা উদ্যোগত আয়োজন কৰা বিশ্ব মহাবীৰ চিলাৰায় ৫১৫ সংখ্যক জয়ন্তী অনুষ্ঠানত বৰপেটা জিলা আক্ৰাছুৰ সভাপতি অজয় বৰ্মনৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত বৰ্মনে ২৬ৰ পূৰ্বে কোচ ৰাজবংশীসকলৰ দীৰ্ঘদিনীয়া দাবী কোচ ৰাজ্য পুনৰ গঠন আৰু জনজাতিকৰণ সমস্যা সমাধান কৰাৰ বাবে চিলাৰায় দিৱসৰ পৱিত্ৰ ক্ষণত ৰাজ্য চৰকালৈ আহ্বান জনায়। সভাৰ পূৰ্বে পুৱা কোচ ৰাজবংশী জাতীয় পতাকা উত্তোলন কৰে বৰপেটাৰোড বিশিষ্ট সমাজসেৱক ধৰণী দাসে, আক্ৰাছুৰ পতাকা উত্তোলন কৰে অজয় বৰ্মনে। আনহাতে, বৰপেটা জিলা সভাৰ আক্ৰাছুৰ চিলাৰায় সেনাৰ পতকা উত্তোলন কৰে সংগঠনৰ সেনাধ্যক্ষ হৰেকৃষ বৰ্মনে। শ্বহীদ বেদীত বন্তি প্ৰজ্বলান কৰে শিক্ষক হৰেকৃষ্ণ বৰ্মনে। বিশ্ব মহাবীৰ চিলাৰায় ৫১৫ সংখ্যক জয়ন্তী উদযাপন অনুষ্ঠানত বৰপেটা জিলাৰ শতাধিক লোক উপস্থিত থাকে।

## ধৰ্ষণকাৰী পলাতক প্ৰধান শিক্ষকক শীঘ্ৰে গ্ৰেপ্তাৰৰ দাবী কলগাছিয়াবাসীৰ

**ই-সংবাদ, কলগাছিয়া, ১২ ফেব্ৰুৱাৰীঃ** কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত পূৱ ৰামপুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিজ বিদ্যালয়ৰ নাবালিকা ছাত্ৰীৰ সৈতে কু-কৰ্ম কৰাৰ অভিযোগ ফাদিল হোৱাত প্ৰায় চাৰি মাহে পলাতক অৱস্থাত আছে লম্পট শিক্ষক আকাব্বৰ আলী। তদুপৰি ধৰ্ষণ কাণ্ডত অভিযুক্ত পাষণ্ড শিক্ষক আকাব্বৰ আলীক ইমান দিন পিছতো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নোহোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাইজে পষণ্ড শিক্ষক আকাব্বৰ আলীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নোহোৱাত আৰক্ষীৰ এয়া চৰম ব্যৰ্থতা বুলি অভিযোগ উত্থাপন কৰিছে। সেয়ে ভুক্তভোগী পৰিয়ালৰ লগতে ৰাইজে অতি সোনকালে লম্পট শিক্ষকক গ্ৰেপ্তাৰ কৰাৰ দাবী জনায়। ইফালে প্ৰধান শিক্ষক আকাব্বৰ আলী নিজ বিদ্যালয়ৰ নাবালিকা ছাত্ৰী ধৰ্ষণকাৰী পলাতক শিক্ষকৰ সন্ধান দিব পাৰিলে ৰামপুৰ গাওঁৰক্ষী বাহিনী ২০ হাজাৰ টকাৰে পুৰস্কাৰ দিব বুলি ঘোষণা কৰিছে।

# ডিব্ৰুগড় জিলাৰ আয়ুক্ত বিক্ৰম কৈৰীক সম্বৰ্ধনা, শিক্ষাৰ্থীৰে মত বিনিময়

**ই-সংবাদ, ডিব্ৰুগড়, ১২ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড় মহানগৰৰ বৈৰাগীমঠস্থিত আগশাৰীৰ শিক্ষানুষ্ঠান শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয় আৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমীত ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম প্ৰসাদ কৈৰি উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। উল্লেখ্য যে মায়ামৰা ধৰ্মগুৰু শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নামত আজিৰ পৰা প্ৰায় আঠাইশ বছৰৰ পূৰ্বে কিছু শিক্ষানুৰাগী লোকে একান্ত প্ৰচেষ্টাৰ ফলত চহৰখনৰ মাজমজিয়াত এইখন শিক্ষানুষ্ঠান স্থাপন কৰিছিল। শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ সেৱা সমিতি, অসম নামৰ ন্যাসৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানখনত পূৰ্বতে কেৱল বিজ্ঞান শাখা আৰম্ভ কৰা হৈছিল আৰু পৰৱৰ্তী সময়ত কলা আৰু বাণিজ্য শাখা প্ৰবৰ্তন কৰি শিক্ষা প্ৰদান কৰি আহিছে। শিক্ষানুষ্ঠানখনত অতি কম পইচাৰ বিনিময়ত নামভৰ্তি কৰাৰ লগতে বহু দুখীয়া শিক্ষাৰ্থীক বিনামূলীয়াকৈ শিক্ষা প্ৰদান কৰি শিক্ষা প্ৰসাৰ আৰু প্ৰচাৰ কৰি আহিছে।বৰ্তমান শিক্ষানুষ্ঠানখনত নিম্ন প্ৰাথমিক পৰ্যায়ক সামৰি এখন একাডেমীও
আৰম্ভ কৰি শিক্ষা প্ৰদান কৰা হৈছে। জিলা আয়ুক্ত বিক্ৰম কৈৰি শিক্ষানুষ্ঠানখন পৰিদৰ্শন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় অনুষ্ঠানত অংশ গ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ভূষণ জ্যোতি সন্দিকৈয়ে আঁত ধৰা অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি চান্দ কুমাৰ গোহাঁই, উপ-সভাপতি হিৰণ্য সেনাপতি, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ সেৱা সমিতি অসমৰ সভাপতি ল'নাথ চৌখাম, সম্পাদক হলিৰাম ফুকন,সদস্য ৰঞ্জন দত্ত, অজয় দত্ত, ডাঃ জ্যোতিপ্ৰসাদ হাতীবৰুৱা, মাধুৰ্য বৰুৱা, মহাবিদ্যালয়খনৰ শৈক্ষিক বিষয়া ড০ দীপা গোস্বামী, একাডেমীৰ শৈক্ষিক বিষয়া যাদৱ গগৈ, দুয়োখন শিক্ষানুষ্ঠানৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। জিলা আয়ুক্ত বিক্ৰম কৈৰিক মহাবিদ্যালয়ৰ তৰফৰ পৰা চেলেং, গামোচা, জনজাতীয় গামোচাৰ লগতে সম্বৰ্ধনা পত্ৰ প্ৰদান কৰে। আয়ুক্তগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সফলতা আৰু আগবাঢ়ি যাবলৈ কঠোৰ শ্ৰম আৰু ত্যাগ কৰাৰ লগতে নিজৰ কামত মনোযোগ দিয়াটো খুবেই প্ৰয়োজন বুলি ভাষণত উল্লেখ কৰে। প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে নিজকে কিদৰে প্ৰস্তুত কৰিব লাগে, কি পঢ়িব লাগে, কেনেকৈ পঢ়িব লগে সেই সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে সোধা প্ৰশ্নবো উত্তৰ প্ৰদান কৰি উপস্থিত সকলোকে আপ্লুত কৰে।

# নামনি মাজুলী কৰদৈগুৰি গাঁৱৰ নৱনিৰ্মিত নামঘৰত গুৰু আসন প্ৰতিষ্ঠা

**ই-সংবাদ বিশেষ, মাজুলী, ১২ ফেব্ৰুৱাৰীঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ শ্ৰীলোহিত গাঁও পঞ্চায়তৰ কৰদৈগুৰি গাঁৱৰ নৱ নিৰ্মিত নামঘৰৰ আজি গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। ডবা, শংখ, খোল, তালৰ মংগল ধ্বনি আৰু আয়তীৰ উৰুলিৰ মাজত আজি পুৱা দহ বজাত শ্ৰীশ্ৰী বৰএলেঙী সত্ৰৰ ডেকা সত্ৰাধিকাৰ চন্দন গোস্বামীয়ে গুৰু আসন ভাগি প্ৰতিষ্ঠা কৰে। পুৰোহিতৰ মন্ত্ৰোচাৰণ আৰু ৰাইজৰ ব্যাপক উৎসাহ উদ্দীপনাৰ মাজেৰে আজি ডেকা সত্ৰাধিকাৰ চন্দন গোস্বামীয়ে উক্ত গুৰু আসনখন প্ৰতিষ্ঠা কৰে। উক্ত অনুষ্ঠানত ৰাজহুৱা নাম-প্ৰসংগ শুভাৰম্ভ কৰে নামাচাৰ্য, বালিচাপৰি শ্ৰীশ্ৰী বৰএলেঙী সত্ৰৰ ডেকা সত্ৰীয়া ইন্দ্ৰ কান্ত মহন্তই। উক্ত ৰাজহুৱা নাম প্ৰসংগত নামনি মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক জ্যেষ্ঠ বৈষ্ণৱে অংশগ্ৰহণ কৰি নাম-কীৰ্তন কৰে। অঞ্চলটোৰ জ্যেষ্ঠ বৈষ্ণৱ ঘন লেখাৰু, হৰেন্দ্ৰ নাথ বৰুৱা, মহেন্দ্ৰ বৰুৱাৰ লগতে গাঁৱৰ জ্যেষ্ঠ, কনিষ্ঠ সকলো বৈষ্ণৱ আৰু গোপিনীসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰি নাম-কীৰ্তন কৰে। অনুষ্ঠানত ভাগৱত পাঠ কৰে কৰদৈগুৰি গাঁৱৰ জ্যেষ্ঠ পাঠেকী লীলাৰাম দত্তই। উক্ত ৰাজহুৱা নাম-প্ৰসংগৰ পাছত এটি সম্বৰ্ধনাৰ কাৰ্যসূচীও ৰূপায়ণ কৰা হয়। কৰদৈগুৰি গাঁও সভাৰ সভাপতি প্ৰশান্ত শইকীয়াই আঁত ধৰা উক্ত সম্বৰ্ধনা কাৰ্যসূচীত নৱ নিৰ্মিত নামঘৰ আৰু মণিকূট নিৰ্মাণত দান বৰঙণি আগবঢ়োৱা দাতাসকলৰ লগতে গাঁৱৰ কেইবাজনো বয়োজ্যেষ্ঠ ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে নামঘৰ আৰু মণিকূট নিৰ্মাণ সমিতিৰ তৰুণ ৰাজখোৱা আৰু ভদ্ৰেশ্বৰ ভূঞাই।

# ইটা ভাটাৰ মালিকক আক্ৰমণ কৰি নগদ ধন লুট

**ই-সংবাদ, গোলকগঞ্জ, ১২ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত গড়েহাটত কালি সন্ধিয়া ইটা ভাটাৰ মালিকক চাৰিজনীয়া দুস্কৃতিকাৰীৰ দলে অতৰ্কিতে আক্ৰমণ কৰি নগদ ধন লুটি নিয়াক কেন্দ্ৰ কৰি অঞ্চলটোত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। জানিব পৰা মতে, সোনাখুলী প্ৰথম খণ্ড গাঁৱৰ খাইৰুল ইছলাম ইটা ভাটাৰ লেন দেন শেষ কৰি সন্ধিয়া গড়েৰহাট বজাৰত উপস্থিত হয়। উক্ত স্থানত আঠঘৰীটাৰীৰ মইনাল হক, তেঁৱৰ পুত্ৰ সমছেৰ আলী, মনছেৰ আলী আৰু ধুল্লু সেখৰ পুত্ৰ আলাউদ্দিন সেখ অকস্মাতে উপস্থিত হৈ কোনো প্ৰশ্নৰ অবতাৰণা নকৰি খাইৰুলক উপৰ্যুপৰি আক্ৰমণ কৰি নিবানব্বৈ হাজাৰ টকা কাঢ়ি লৈ যায়। ততালিকে খাইৰুলে আগমনি থানাত উপস্থিত হৈ এজাহাৰ দাখিল দাখিল কৰে। আগমনি আৰক্ষীৰ এটা দলে তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হৈ সমছেৰ আলীক আটক কৰে যদিও বাকীবোৰ পলায়ন কৰিবলৈ সক্ষম হয়। সমছেৰক আটক কৰাৰ পিছতে স্থানীয় একাংশ পুৰুষ মহিলা ক্ষুব্ধ হৈ আৰক্ষীৰ বাহন আগভেটি ধৰে। সমছেৰ মাৰপিটৰ ঘটনাত জড়িত নাছিল বুলি দাবী কৰি তেওঁক আটক কৰাৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ঘটনাটোক লৈ এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। ৰাইজৰ প্ৰতিবাদত নতশিৰ কৰি আৰক্ষীয়ে সমছেৰক এৰি দিবলৈ বাধ্য হয়।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

## যোৰহাটৰ সাহপুৰীয়াত চিলাৰায় জয়ন্তী পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ১২ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি যোৰহাটতো উলহ-মালহেৰে পালন কৰা হয় বিশ্ব মহাবীৰ চিলাৰায় ৫১৫ সংখ্যক জয়ন্তী। যোৰহাট জিলা কোচ ৰাজবংশী সন্মিলনীয়ে মহিলা সন্মিলনী, নাগৰিক সন্মিলনী, যুৱ সন্মিলনী, আঞ্চলিক-প্ৰাথমিক সন্মিলনীসমূহৰ সহযোগত আৰু পশ্চিম যোৰহাট নগৰ আঞ্চলিকৰ সাহপুৰীয়া কোঁচৰ চুক প্ৰাথমিক আৰু সাহপুৰীয়া গাঁৱৰ ৰাইজৰ আতিথ্যত অনুষ্ঠিত কৰা অনুষ্ঠানত পুৱা পোনা কলিতাৰ সোঁৱৰণত প্ৰশান্ত বৰা আৰু ৰুণীমা বৰাই নিৰ্মাণ কৰি দিয়া আদৰণী তোৰণখন উন্মোচন কৰে কোচ ৰাজবংশীৰ যোৰহাট জিলা সন্মিলনীৰ সভাপতি প্ৰবীন চন্দ্ৰ বৰাই। মূল পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি নোমল চন্দ্ৰ দত্তই। প্ৰতীকি অৰ্থত আন পোন্ধৰখন পতাকা উত্তোলন কৰে জিলা, আঞ্চলিক, প্ৰাথমিক আৰু উদযাপন সমিতিৰ বিষয়ববীয়াই। সাহপুৰীয়া গাঁৱৰ বিশ্বজ্যোতি মইনা পাৰিজাতৰ আজি প্ৰতিষ্ঠা দিৱস বাবে উক্ত স্থানতে ৰবীন চন্দ্ৰ ভূঞাই। স্মৃতি তৰ্পণ কৰে স্থানীয় পঞ্চায়তৰ প্ৰাক্তন সভাপতি প্ৰশান্ত বৰাই। একোটাকৈ গছপুলি ৰোপণ কৰে ভুৱন বৰা, ভূপেন বৰবৰা আৰু নৰেন্দ্ৰ নাথ শইকীয়াই। তাৰ পাছতে নৱৰূপ কলা-কৃষ্টি কেন্দ্ৰৰ পৰা ৰাষ্ট্ৰীয় পথ হৈ সাহপুৰীয়া গাঁৱৰ মাজেৰে অনুষ্ঠানস্থলীত সামৰণি পৰা শোভাযাত্ৰাত বিভিন্ন প্ৰান্তৰৰ পৰা আহি সমবেত হোৱা লোকসকলৰ লগতে চিলাৰায় প্ৰতিমূৰ্তি লৈ উলিওৱা শোভাযাত্ৰাত গায়ন-বায়ন, বৰগীত পৰিৱেশন, বিহু হুঁচৰি, ভাওনা, দিহানাম, ঘোৰতাল, ঝুমুৰ পৰিৱেশনৰে অংশগ্ৰহণ কৰে। এই শোভাযাত্ৰাই অগণন লোকক মোহিত কৰে। শোভাযাত্ৰাৰ পতাকা দাঙি শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত অভিযন্তা নৰেশ্বৰ টুকৰীয়াই। তাৰপাছতে নৱৰূপ কলা-কৃষ্টি কেন্দ্ৰৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাৰ আৰম্ভণিতে চিলাৰায় প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি ডাক্তৰ চন্দন বৰণ দুৱৰাই সন্মুখত ধূপ-দীপ প্ৰজ্বলন কৰাৰ লগতে মাল্য অৰ্পণ কৰে। অৱসৰপ্ৰাপ্ত অধ্যাপক ডক্টৰ অজিত কুমাৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে টাই আহোম ছাত্ৰ সন্থাৰ যোৰহাট জিলাৰ সভাপতি ৰাজীৱ গগৈয়ে। উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰমেন শইকীয়াই আদৰণি ভাষণ আগবঢ়োৱা আৰু জিলা কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক প্ৰবীৰ বৰাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনৰ আৰম্ভণিতে সন্মিলনীৰ সৈতে জড়িত হোৱাসকলৰ আত্মাৰ সদগতিৰ অৰ্থে মৌন প্ৰাৰ্থনা জনায়। প্ৰাক্তন বিধায়িকা সুশীলা হাজৰিকাই বিশিষ্ট অতিথিৰূপে, যোৰহাট মহাবিদ্যালয়ৰ অধ্যাপক তৰুণ লইঙে সন্মানীয় অতিথিৰূপে ভাষণ আগবঢ়োৱা সভাত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ মানিক শইকীয়াই কোচ ৰাজবংশাৱলীৰ ব্যাখ্যা কৰাৰ লগতে নৰনাৰায়ণ আৰু চিলাৰায়ৰ কাৰ্যকালত ব্যাখ্যা কৰি শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ সৈতে হোৱা আত্মীক সম্পৰ্ক শংকৰদেৱৰ পণ্ডিতালি গুণৰ সম্পৰ্কে নিৰ্দিষ্ট বক্তাৰ ভাষণত উল্লেখ কৰে। ৮ গৰাকী বৰ্ষীয়ান পুৰুষ-মহিলাক সম্বৰ্ধনা জনোৱাৰ লগতে ক্ৰীড়া ক্ষেত্ৰত দক্ষতা প্ৰদৰ্শন কৰি সোণৰ পদক লাভ কৰা এগৰাকী যুৱতীক সম্বৰ্ধনা জনায়।

## লাহোৱালৰ হেজেলবেংকত বিধায়ক পোনাকণ বৰুৱা

# কংগ্ৰেছ এতিয়া অতীত হ'ল, অগপই হিন্দু-মুছলমানৰ ৰাজনীতি নকৰে

**ই সংবাদ, চাবুৱা-লাহোৱাল, ১২ ফেব্ৰুৱাৰীঃ** মঙলবাৰে ডিব্ৰুগড় জিলাৰ চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত ইকৰাতলি গাঁও পঞ্চায়তৰ হেজেলবেংকত অসম গণ পৰিষদৰ এখন বিশেষ সাংগঠনিক সভা অনুষ্ঠিত হয়। হেজেলবেংক চাহ বাগিচাৰ প্ৰেক্ষাগৃহত অগপৰ ইকৰাতলি আঞ্চলিক সমিতিৰ সভাপতি ৰমেশ গগৈৰ পৰিচালনা অনুষ্ঠিত সাংগঠনিক সভাত দলটোৰ বুকল জিলা পৰিষদৰ অন্তৰ্গত ৫ খন গাঁও পঞ্চায়তৰ কৰ্মীসকল উপস্থিত থাকে। সাংগঠনিক সভাত বিধায়ক পোনাকণ বৰুৱা উপস্থিত থাকি বকুল জিলা পৰিষদত পঞ্চায়ত নিৰ্বাচনৰ ৰণশিঙা বজায়। ৪ শতাধিক কৰ্মী উপস্থিত থকা সভাত ১০০ৰ অধিক বিভিন্ন ৰাজনৈতিক দলৰ কৰ্মীয়ে অগপত যোগদান কৰে। পঞ্চায়ত নিৰ্বাচনৰ ৰণশিঙা বজাই বিধায়ক পোনাকণ বৰুৱাই কংগ্ৰেছ দলক অতীত বুলি দোহাৰে। বৰুৱাই কয় যে কংগ্ৰেছ এতিয়া অতীত। পঞ্চায়ত নিৰ্বাচনক লৈ কংগ্ৰেছে নিজৰ নাম ল'বই নাপায়। কংগ্ৰেছৰ দিনত পঞ্চায়তত যিবোৰ প্ৰতিনিধি নিৰ্বাচিত হৈছিল সেইসকলক ৰাইজে জনতাৰ কাম কৰিবলৈ প্ৰতিনিধি নিৰ্বাচিত কৰিছিল।কিন্তু প্ৰতিনিধিসকলে দালালি আৰু ঠিকাদাৰ হিচাপে কাম কৰিছিল। কংগ্ৰেছৰ দিনত এনে হ'ল যে পঞ্চায়ত মানেই দুৰ্নীতি, পঞ্চায়ত মানেই ভ্ৰষ্টাচাৰ বুলি গ্ৰহণ কৰিছিল। যাৰ বাবে কংগ্ৰেছক মানুহে চূড়ান্তভাৱে প্ৰত্যাখ্যান কৰিছে। কংগ্ৰেছ আজি গণ বিচ্ছিন্ন। কংগ্ৰেছক এতিয়া আৰু আকোৱালি নলয় বুলি তীব্ৰ আক্ৰমণ কৰে বৰুৱাই। আনহাতে, ৰাষ্ট্ৰীয় ৰাজনৈতিক দলে নাগপুৰ আৰু দিল্লীৰ পৰা হিন্দু-মুছলমানক লৈ ৰাজনীতি কৰে কিন্তু অসম গণ পৰিষদ দলে জাতি-জনগোষ্ঠী নামত কেতিয়াও ৰাজনীতি নকৰে বুলি মন্তব্য প্ৰদান কৰে অগপ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই। সভাত অসম গণ পৰিষদৰ চাহ কোষৰ সভাপতি প্ৰমোদ ভেংৰা, চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ সভাপতি কৃষ্ণানন্দ দুৱৰা, সম্পাদক বিনোদ বুঢ়াগোহাঁই, নিতুল শইকীয়া, মহিলা পৰিষদৰ উপসভানেত্ৰী অঞ্জলী গগৈ, অগপ নেতা প্ৰভাত চাহু, নেত্ৰী মিনু গোৱালা, ইকৰাতলি আঞ্চলিক সমিতিৰ সম্পাদক বিশ্বজিত সন্দিকৈ উপস্থিত থাকে।

# ধেমেচিত চিলাৰায় দিৱসত শৃংখল চলিহা

**ই সংবাদ, মৰাণ, ১২ ফেব্ৰুৱাৰীঃ** 'অসমৰ সভ্যতা সংস্কৃতিত উলংগ বাবাৰ স্থান নাই। ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ হ'বই। বৰ্তমান সময়ত উলংগ হৈ ভণ্ডামি কৰিলে চৰকাৰে নিৰাপত্তা দি লৈ যাব, আৰু ইয়াৰ প্ৰতিবাদ কৰা সকলক জে'ললৈ পঠিয়াই দিব। এই নীতি কেতিয়াও মানি নলওঁ। চৰকাৰে জনগণৰ বিৰুদ্ধে কাম কৰিলে প্ৰতিবাদ হ'বই।' মৰাণৰ ধেমেচিত আজি মহাবীৰ চিলাৰায় দিৱসত মুকলি সভাত ভাষণ দি এনেদৰে উল্লেখ কৰে বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই। শাসকীয় দলৰ বিধায়ক চক্ৰধৰ গগৈ উপস্থিত থকা সভাখনত শৃংখল চলিহাই কয় যে সভ্যতা, সংস্কৃতি ৰক্ষাৰ কাৰণে আমি যুঁজ দি যাম। সাংবাদিকৰ আগত মন্তব্য দি নেতাজনে কয় জে'ল আমাৰ অলংকাৰ হয়। জে'লত আমাৰ সদস্য যিমান যাব, জাতি সিমানেই টনকিয়াল হ'ব। গণতান্ত্ৰিক আন্দোলনক কোনো চৰকাৰে নস্যাৎ কৰিব নোৱাৰে। চৰকাৰে জনগণৰ বিৰুদ্ধে কাম কৰিলে প্ৰতিবাদ হ'বই। আনহাতে প্ৰয়াত ৰাজীৱ শদিয়াৰ গীত চুৰি সন্দৰ্ভত মন্তব্য ৰাখি নেতাজনে গায়ক সীমান্ত শেখক ক্ষুৰধাৰ সমালোচনা কৰে। সীমান্ত শেখৰৰ নাম অসমৰ ইতিহাসত বদন বৰফুকন আৰু দালাল হিচাপেই লিখা থাকিব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত খোৱাং আঞ্চলিক সমিতি, অৰুণোদয় সংঘ, সন্মিলিত যুৱ মঞ্চ ধেমেচিৰ সহযোগত ধেমেচিৰ কোচ গাঁৱত আজি চিলাৰায় দিৱস পালন কৰা হয়। পুৱা মাৰাথান দৌৰ প্ৰতিযোগিতাই কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পিছতে ক্ৰমে পতাকা উত্তোলন, স্মৃতি তৰ্পণ, মহাবীৰ চিলাৰায় প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰাৰ পিছতে বাৰেৰহনীয়া সমন্বয়ৰ সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ কৰা হয়। এই শোভাযাত্ৰাত কেইবাটাও সাংস্কৃতিক দলে অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে মুকলি সভা অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ৰূপম কোচে সঞ্চালনা কৰা মুকলি সভাত শিক্ষাবিদ, সমাজকৰ্মী খগেন চৌধুৰীক মহাবীৰ চিলাৰায় বঁটা প্ৰদান কৰা হয়। সভাখনত বিধায়ক চক্ৰধৰ গগৈৰ লগতে কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ জিলা আৰু আঞ্চলিক সমিতিৰ নেতা-কৰ্মী সকল আৰু কেইবাটাও জনগোষ্ঠীয় সংগঠনৰ নেতা সকল উপস্থিত থাকে।

# বাক্সাৰ মুছলপুৰত মহিলা নিৰুদ্দেশ

**ই-সংবাদ, মুছলপুৰ, ১২ ফেব্ৰুৱাৰীঃ** বাক্সা জিলাৰ মুছলপুৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত ১ নং কাটলীগাঁৱৰ সুৰসী শৰ্মা(৭৫) নামৰ এগৰাকী মহিলা বিগত দহ দিন ধৰি নিৰুদ্দেশ হৈ থকাত অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি যোৱা ২ ফেব্ৰুৱাৰীৰ দিনাখন পুৱা প্ৰাতঃভ্ৰমণ কৰিবলৈ গৈ উভতি নহাত পৰিয়ালৰ লোকে ওচৰে-পাজৰে বিচাৰ-খোচাৰ কৰে যদিও মহিলাগৰাকীৰ কোনো সন্ধান নাপায়। চুবুৰীয়াৰ লোকেও বিভিন্ন ঠাইত মহিলাগৰাকীৰ সন্ধানত খবৰ কৰে যদিও এতিয়ালৈকে কোনো ধৰণৰ শুংসূত্ৰ নোপোৱাত পুত্ৰ সমীৰণ শৰ্মা সহিতে পৰিয়াল আৰু চুবুৰীয়া চিন্তিত হৈ পৰিছে। ইতিমধ্যে মহিলাগৰাকীৰ নিৰুদ্দেশ সংক্ৰান্তত মুছলপুৰ সদৰ থানাত পৰিয়ালে এখন এজাহাৰ দাখিল কৰিছে। কোনো সদাশয় লোকে মহিলাগৰাকীৰ সন্ধান পালে ৮৪৭১৯১২৬৬ ম'বাইল নম্বৰ অথবা ওচৰৰ আৰক্ষী থানাত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ভকচঙত এমটিবি চাইকেল ৰেলী দলক উষ্ম আদৰণি

**ই-সংবাদ, বৈঠালাংছ', ১২ ফেব্ৰুৱাৰীঃ** এক উৎসৱ মুখৰ পৰিৱেশৰ মাজেৰে পশ্চিম কাৰ্বি আংলং তথা কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদৰ ১নং দোৱাৰ আমলা পৰিষদীয় সমষ্টিত পোন প্ৰথমবাৰলৈ অনুষ্ঠিত হৈছে 'ফাৰ্ষ্ট ইণ্টাৰনেশ্যনেল লংগেষ্ট এমটিবি ৰেচ' চাইকেল ৰেলী। এই ৰেলী মঙলবাৰে পুৱা পশ্চিম কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী নেলীৰ আমগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা শুভাৰম্ভ কৰা হয়। এই ৰেচিঙৰ সময়চোৱাৰ যাত্ৰা পথত চাইক্লিষ্টসকলে তিনিটা স্থানত নৈশ যাপন কৰিবলগা হোৱা হেতুকে কালি নিশা ভকচং ইক' টুৰিজিম পাৰ্কত নৈশ যাপন কৰে। বুধবাৰে পুৱাই তাত এমটিবি চাইকেল ৰেলী দলটোক উষ্ম আদৰণি জনায় ১নং দুৱাৰ আমলা পৰিষদীয় সমষ্টিৰ যুৱনেতা প্ৰভাত চন্দ্ৰ তাৰ', জিলা আয়ুক্ত সাৰঙ্গপানী শৰ্মা আৰু আৰক্ষী অধীক্ষক ইন্দ্ৰনীল বৰুৱাই। দেশী-বিদেশী পৰ্যটকৰ সমাহাৰেৰে এমটিবি চাইকেল ৰেলীৰ এই ইভেণ্টত ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ অসম, অৰুণাচল, মেঘালয়, লাডাখ, কাশ্মীৰ, নেপাল আদিৰ মুঠ সাতাইশ জন প্ৰফেশ্যনেল বিশ্বখ্যাত চাইক্লিষ্ট ৰাইডাৰে অংশগ্ৰহণ কৰে। এই চাইকেল ৰেচ উড ডাক ইভেণ্টৰ উদ্যোগত অনুষ্ঠিত কৰা হয়। মঙলবাৰে এই গ্ৰেণ্ড ইভেণ্টৰ ফ্লেগ অফ কৰে ভাৰত চৰকাৰৰ পৰ্যটন বিভাগৰ সঞ্চালক অনিল ওৱায়ে। ভাৰতবৰ্ষৰ বিভিন্ন স্থানৰ পৰা আহি অংশগ্ৰহণ কৰা এই ৰেচাৰসকলে তিনি দিনীয়াকৈ অনুষ্ঠিত হোৱা চাইকেল ৰেচত প্ৰায় তিনিশ কিলোমিটাৰ পথ চাইক্লিং কৰিব। নেলীৰ আমগুৰিৰ পৰা ডিমা হাচাও জিলাৰ হাফলঙলৈ চাইক্লিং কৰিব ৰেচাৰসকলে। ইফালে, দ্বিতীয় নিশাটো উমৰাংছুত কটাব চাইক্লিষ্টসকলে। এই গ্ৰেণ্ড ইভেণ্টৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হ'ব ১৩ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৬ বজাত হাফলঙত। উল্লেখযোগ্য যে এই এমটিবি ৰেচৰ প্ৰধান উদ্দ্যেশে হৈছে ভকচংস্থিত পৰ্যটনক্ষেত্ৰৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে গ্ৰাম্য পৰ্যটন, ড্ৰাগছ বিৰোধী সজাগতা, স্বচ্ছতাৰ পৰিৱেশ গঢ়াৰ সন্দৰ্ভত সজাগতা প্ৰচাৰ কৰা।



আহমেদাবাদৰ ক্ৰিজত ইংলেণ্ডৰ বিৰুদ্ধে কোহলিৰ বেটেৰে নিগৰিল অৰ্ধশতক




আহমেদাবাদত অনুষ্ঠিত ইংলেণ্ডৰ বিৰুদ্ধে তৃতীয় একদিনীয়াত শতক অৰ্জনৰ পিছত দৰ্শকৰ অভিবাদন গ্ৰহণ শুভমনৰ

## ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ দায়িত্ব পাই উৎফুল্লিত পাহাৰীয়া ৰাজ্য

# ২০২৭ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ দায়িত্ব পালে পাহাৰীয়া মেঘালয়ে

**শ্বিলং, ১২ ফেব্ৰুৱাৰীঃ** ভাৰতৰ ২০২৭ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়া খেলৰ আয়োজক ৰাজ্য হিচাপে নিৰ্বাচিত হৈছে মেঘালয়। সোমবাৰে এই কথা ঘোষণা কৰিছে ভাৰতীয় অলিম্পিক সন্থাই। অলিম্পিক সন্থাৰ পি টি উষাই কয় যে মেঘালয়ে এই দায়িত্ব সফলতাৰে পালন কৰি এক স্মৰণীয় প্ৰতিযোগিতা আগবঢ়াব বুলি আমি নিশ্চিত। তেওঁ লগতে কয় যে প্ৰতিযোগিতাখনৰ মসৃণ পৰিচালনাৰ বাবে অলিম্পিক সন্থাই সকলো ধৰণৰ সহযোগিতা আৰু পথ প্ৰদৰ্শন কৰিব। উল্লেখ্য যে, ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত অলিম্পিক শৈলীৰ বহু ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়, য'ত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতিযোগীয়ে পদকৰ বাবে অংশগ্ৰহণ কৰে। ১৯২৪ চনত প্ৰথমবাৰৰ বাবে লাহোৰত অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাক 'ভাৰতীয় অলিম্পিক গেমছ' বুলি অভিহিত কৰা হৈছিল। ১৯৩৮ চনৰ পৰাই ইয়াক 'ৰাষ্ট্ৰীয় ক্ৰীড়া' বুলি নামকৰণ কৰা হয়। ২০২৭ চনত ভাৰতত অনুষ্ঠিত হ'ব ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা। অৱশ্যে মেঘালয়ত প্ৰথমবাৰৰ বাবে এই প্ৰতিযোগিতাখনি অনুষ্ঠিত হ'ব। ২০২৫ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা সম্প্ৰতি উত্তৰাখণ্ডত অনুষ্ঠিত হৈ আছে। এই প্ৰতিযোগিতাত ২৮খন ৰাজ্য, ৮খন কেন্দ্ৰীয় শাসিত অঞ্চল আৰু দেশৰ সেৱা ক্ৰীড়া নিয়ন্ত্ৰণ ব'ৰ্ড (এছএছচিবি)ৰ প্ৰতিযোগীয়ে ৩৪খন ক্ৰীড়াত অংশগ্ৰহণ কৰিছে। ইয়াৰ পূৰ্বে ২০২৩ চনত গোৱাই প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা আয়োজন কৰাৰ বিপৰীতে ২০২২ চনত গুজৰাটে ৭ বছৰৰ দীঘলীয়া বিৰতিৰ পিছত পুনৰ ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰিছিল। দেশৰ তাৰকা খেলুৱৈ যেনে নীৰজ চোপ্ৰা, মিৰাবাঈ চানু, লাভলীনা বৰগোঁহাই, ছানিয়া মিৰ্জা, মনু ভাকেৰে বিগত সময়ত এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আহিছে। উত্তৰাখণ্ডৰ হালদৱানীত অনুষ্ঠিত ২০২৫ চনৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ সামৰণি অনুষ্ঠানত ভাৰতীয় অলিম্পিক সন্থাই আনুষ্ঠানিকভাৱে মেঘালয়ক পতাকা প্ৰদান কৰিব। ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব এই সামৰণি অনুষ্ঠান।

# টেকেলিৰ সাঁচতীয়া ধন দি ৰোগাক্ৰান্ত মুকুন্দক সহায়ৰ হাত কণমানি এঞ্জেলপ্ৰিয়াৰ

**ই-সংবাদ, নামতি, ১২ ফেব্ৰুৱাৰীঃ** টাইকোৱাণ্ডো আৰু ভাৰোত্তোলনৰ কণমানি খেলুৱৈ এঞ্জেলপ্ৰিয়া শইকীয়াই আজি মাটিৰ টেকেলিত সাঁচি থোৱা ধনেৰে জটিল ৰোগত আক্ৰান্ত যুৱক মুকুন্দ মাধৱ খনিকৰক সহায়ৰ হাত আগবঢ়াইছে। শিৱসাগৰ জিলাৰ নামতি খনিকৰ গাঁৱৰ ফটিক খনিকৰ আৰু লিলি খনিকৰৰ পুত্ৰ মুকুন্দ মাধৱ খনিকৰ ২০১২ চনৰ পৰা এটা জটিল ৰোগত ভুগি আছে। তেওঁৰ চিকিৎসাৰ বাবে পৰিয়ালটোৱে মাটি-বাৰী, সা-সম্পত্তি বিক্ৰি কৰিবলগীয়া হৈছে। অৱশ্যে, এতিয়াও তেওঁ সম্পূৰ্ণ সুস্থ হোৱা নাই আৰু প্ৰতি মাহে ব্যয়বহুল ঔষধৰ বাবে অৰ্থৰ প্ৰয়োজন হয়। মুকুন্দৰ মাতৃয়ে তেওঁৰ অসুস্থতাৰ কথা এঞ্জেলপ্ৰিয়া শইকীয়াৰ পিতৃ আকাশ শইকীয়াক জনোৱাত, তেওঁ আৰ্থিক সহায়ৰ আশ্বাস দিয়ে। এঞ্জেলপ্ৰিয়াই এই কথা জানিব পাৰি যুৱকজনক সহায় কৰাৰ সিদ্ধান্ত লয়। এঞ্জেলপ্ৰিয়াই বিভিন্ন প্ৰতিযোগিতাত জিকি পোৱা ধন মাটিৰ টেকেলিত সাঁচি ৰাখিছিল। আজি তেওঁ পিতৃৰ সৈতে নামতি গাঁৱলৈ গৈ মুকুন্দক সেই ধনৰ টেকেলি অৰ্পণ কৰে। ইয়াৰ উপৰি, এঞ্জেলপ্ৰিয়াই সংবাদমাধ্যমৰ যোগে ৰাজ্যৰ মুখ্যমন্ত্ৰীক যুৱকজনক সহায় কৰিবলৈ আহ্বান জনায়। অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক তথা এঞ্জেলপ্ৰিয়াৰ পিতৃ আকাশ শইকীয়াইয়ো সংগঠনৰ তৰফৰ পৰা আৰ্থিক সাহায্য আগবঢ়ায়। উল্লেখ্য যে, যিকোনো ব্যক্তিয়ে মুকুন্দক সহায় কৰিব বিচাৰিলে ৮৪৭১৯১৮৩০৪ নম্বৰত যোগাযোগ কৰিব পাৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি